অক্টোবৰ 2002 Rs. 10/-

চান্দমামা

JWT.7293.2002

HERO
PIRANHA
ACTIVE
CADET HX
YANKEE
ROBO COP
Heroes start early.
Ride, race, take a tumble or even take a fall.
Because it's never too early to be a hero.
HERO CYCLES

গোলকোণ্ডা দুৰ্গ

হায়দৰাবাদ



অমিতাভ বচ্চন গোলকোণ্ডাতে আছে ।
প্ৰতিদিন গোলকোণ্ডা দুৰ্গত হোৱা চাউণ্ড এণ্ড লাইট শ্বত তেওঁ গোলকোণ্ডা ৰাজ্য আৰু ইয়াৰ শাসক কুতুব শাহীৰ কাহিনী বৰ্ণনা কৰি শুনায় ।

১১৬৩ খৃষ্টাব্দত দেৱগিৰিৰ শাসকসকলে গোলকোণ্ডা দুৰ্গ নিৰ্মাণ কৰিছিল । গোলকোণ্ডা নামটো সম্ভবতঃ 'গোল্ল কোণ্ডা' শব্দৰ পৰা আহিছে যাৰ অৰ্থ ভেৰাৰখীয়াৰ পাহাৰ। এই দুৰ্গটো পিছত কাকতীয়া শাসকসকলৰ হাতলৈ যায় আৰু তাৰ পাছত বাহমনি ৰজাৰ তেলেঙ্গানাৰ প্ৰতিনিধি চুলতান কুলিৰ হাতলৈ যায় । ১৫১৮ চনত চুলতান কুলিয়ে নিজকে স্বাধীন শাসক হিচাবে ঘোষণা কৰিছিল ।

অতি পাৰদৰ্শিতাৰে প্ৰায় চাৰিটা দশক শাসন কৰাৰ পাছত কুতুব শাহী বংশৰ প্ৰতিষ্ঠাতাজনক তেওঁৰ পুত্ৰ জামছেদৰ আদেশত ৯৯ বয়সত হত্যা কৰা হৈছিল ।

জামছেদে ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰাত তেওঁৰ ভ্ৰাতৃ ইব্ৰাহিম পলাই গৈ বিজয়নগৰ ৰাজ্যত আশ্ৰয় লৈছিল । তাত তেওঁ সাত বছৰ আছিল । জামছেদৰ মৃত্যুৰ পিছত ইব্ৰাহিমে সিংহাসনৰ দাবীদাৰ হৈ গোলকোণ্ডালৈ উভতি আহে । বিজয়নগৰত থকা কালত ইব্ৰাহিমে ভাগিৰথী নামৰ এজনী হিন্দু ৰাজকুমাৰীক বিয়া কৰাইছিল আৰু তেওঁ শিল্প-সংস্কৃতিত গভীৰ মনোযোগ দিছিল । ৩০ বছৰ কাল সুখ্যাতিৰে ৰাজ্য শাসন কৰাৰ পাছত ১৫৮০ চনত তেওঁৰ মৃত্যু হয় । ইব্ৰাহিমৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ মহম্মদ কুলি ১৫ বছৰ বয়সতে সিংহাসনত আৰোহন কৰে । তেওঁ ৩৩



বছৰ কাল ৰাজত্ব কৰিছিল । তেওঁৰ দিনতে হায়দৰাবাদ চহৰখন সুন্দৰকৈ নিৰ্মাণ কৰিছিল ।

এসময়ত ৰামদাসে গোলকোণ্ডা পৰিদৰ্শন কৰিছিল । তেওঁ ভদ্ৰাচলম মন্দিৰৰ প্ৰধান দেৱতা 'ভগবান ৰাম'ৰ ভক্ত হিচাবে মানুহৰ মাজত পৰিচিত আছিল । কাঞ্চৰলা গোপন্না নামৰ গোলকোণ্ডাৰ এজন কৰ সংগ্ৰহক আছিল । তেওঁ যি কৰ সংগ্ৰহ কৰিছিল সেইবোৰ মন্দিৰৰ নামত খৰছ কৰিছিল।

গোলকোণ্ডাৰ শাসক আবুল হাচানে ধন আত্মসাৎ কৰাৰ অভিযোগত তেওঁক বন্দী কৰি ৰাখিছিল । পিছত, ভগবান ৰামে ৰজাক সপোনত দেখা দি গোপন্নাই খৰছ কৰা ধনৰ এখন ৰছিদ দেখুৱাইছিল ।

এই কথাত ৰজাই মন্দিৰৰ প্ৰতি আকৰ্ষিত হৈ তৎক্ষণাত গোপন্নাক মুক্ত কৰি দিছিল আৰু ভদ্ৰাচলম মন্দিৰলৈ ধন সোন দান কৰিছিল ।

কুতুব শাহী শিল্প আৰু সংস্কৃতিৰ মহান পৃষ্ঠপোষক আছিল । উৰ্দু আৰু পাৰ্চি ভাষাৰ লগতে তেলেগুকো সমানে প্ৰাধান্য দিছিল । ১৬৮৭ চনলৈ কুতুব শাহীৰ বংশধৰ সকলে এই ৰাজ্য শাসন কৰিছিল । কিন্তু হায়, এই বংশৰ প্ৰতিষ্ঠাতাজনে যিদৰে ষড়যন্ত্ৰৰ বলি হব লগা হৈছিল সেইদৰে এই বংশৰ শেহৰজন ৰজা আবুল হাচান, যাক প্ৰজাসকলে তানাশাহ বুলি জানিছিল, তেওঁও বিশ্বাসঘাতকতাৰ কবলত পৰি গোলকোণ্ডা ৰাজ্য হেৰুৱাইছিল ।

গোলকোণ্ডা দুৰ্গ আছিল দুৰ্ভেদ্য । মোগল সম্ৰাট ঔৰংজেবে আঠ মাহ চেষ্টা কৰিও তাত প্ৰৱেশ কৰিব পৰা নাছিল । কিন্তু বিশ্বাসঘাতকসকলে ধনৰ বিনিময়ত পিছফালৰ দুৱাৰ খুলি দিয়াত সেই পথেৰে আক্ৰমণকাৰী-সকল দুৰ্গত সোমাইছিল। তানাশাহক বন্দী কৰা হৈছিল আৰু বন্দীশালতে তেওঁৰ মৃত্যু হৈছিল । এইদৰে দাক্ষিণাত্যৰ এক গৌৰৱময় যুগৰ অন্ত পৰিছিল ।

অন্ধ্ৰ প্ৰদেশ পৰ্যটন বিভাগে এই ঐতিহাসিক ঘটনাৱলী 'চাউণ্ড এণ্ড লাইট শ্ব'ৰ মাধ্যমেৰে গোলকোণ্ডা দুৰ্গত সুন্দৰকৈ দৰ্শকসকলৰ আগত দাঙি ধৰে । অমিতাভ বচ্চনৰ সুন্দৰ উপস্থাপনে গোলকোণ্ডাৰ ঘটনাৱলীক অতি আমোদজনক কৰি তোলে ।

aptdc ANDHRA PRADESH TOURISM

ANDHRA PRADESH TOURISM DEVELOPMENT CORPORATION

For Round the Clock Tourist Information on A.P.
Dial: **1901-334033 from Hyderabad / Secunderabad & 0901-334033 from other places in India.**

Central Reservation Offices at: Hyderabad: Opp. BRKR Bhavan, Tank Bund Road, Ph: 040-3453036, 3450165 Fax: 040-3453086; **Secunderabad:** Yatrinivas Complex, S.P. Road, Ph: 040-7893100, 7816375; **Tirupati:** T.P. Area, Beside Venkateswara Bus Station, Ph: 08574-55385, 55386, Mobile: 98480-07033; Fax: 08574-56877; **Tirumala:** 08574-70055; **Nellore:** H.NO.24, I/1613, 1st floor, Opp. Kasturba Kalakshetram, Police Office Road, Dargha Mitta. Ph: 0861-306089; **Vijayawada:** Hotel Ilapuram Complex, Gandhi Nagar, Ph: 0866-570255, 523966; **Visakhapatnam:** LIC Building, Daba Garden, Ph:0891-746446, Fax:713135; **Kurnool:** APTDC Divisional Office, C/D-6, C-Camp, Nandyal Road, Telefax: 08518-70104; **Nagarjunasagar:** 08680-77364, 76540; **Srisailam:** 08524-88311; **Warangal:** 08712-459201, 446606; **Chennai:** +91(44)5381213; **Bangalore:** +91(80) 2383361/2383362; Fax:+91(80)2383363

হায়দৰাবাদলৈ আহিলে গোলকোণ্ডা দুৰ্গ পৰিদৰ্শন কৰিবলৈ নাপাহৰিবা ।

এই সংখ্যাত আছে

বৰ্ষ : ২৯ অক্টোবৰ ২০০২ সংখ্যা - ১০

ভাৰতৰ পৌৰাণিক আখ্যান ২৫

সিদ্ধেন্দ্ৰৰ হিতোপদেশ (বেতাল কাহিনী) ১৯

মায়া সৰোবৰ ১১

গণেশ ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ ভাৰতৰ উপ-ৰাষ্ট্ৰপতি...৮ ★ ভাৰতৰ কম পৰিচিত ঠাই ...১০ ★ মায়া সৰোবৰ-৭ ... ১১ ★ এক আদৰ্শ পত্নী ... ১৮ ★ সিদ্ধেন্দ্ৰৰ হিতোপদেশ (বেতাল কাহিনী) ...১৯ ★ ভাৰতৰ পৌৰাণিক উপাখ্যান-৬ ... ২৫ ★ চোৰ নকৰা স্বত্বেও চোৰ ... ২৮ ★ ইণ্ডিয়াস্কোপ ... ৩১ ★ ভূতৰ ভোজ ... ৩২ ★ উত্তম কবি ...৩৫ ★ সংবাদ বিচিত্ৰা ... ৩৭ ★ মধ্য প্ৰদেশৰ লোককথা ... ৩৮ ★ ভাৰতৰ বিষয়ে জানি লোৱা ... ৪৪ ★ গণেশ ... ৪৫ ★ ৰামপুৰৰ সমদ্ধ ... ৫১ ★ জ্ঞানী, অজ্ঞানী, মূৰ্খ ... ৫৫ ★ ৰান্ধনিৰ সংস্কাৰ ...৬০ ★ অজেয় গৰুড় ... ৬১ ★ খেলিমেলি ধেমালি ... ৬৪ ★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandamama India Ltd.
to

Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements @chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

Goswami 8.10.2002

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

উৎসৱৰ উদ্যম

চাওঁতে চাওঁতে আকৌ উৎসৱৰ দিন আহি পালে । এই উৎসৱ উপলক্ষে যেতিয়া পৰিয়ালবোৰৰ মাজত পুনৰ মিলন হব, বিভিন্ন সম্প্ৰদায়ৰ মানুহে যেতিয়া জাতি, ধৰ্ম, বৰ্ণৰ ভেদাভেদ পাহৰি একলগ হব তেতিয়াহে প্ৰকৃত শান্তি প্ৰতিষ্ঠা হব ।

কিন্তু, এইটো সেইসকল লোকক সোঁৱৰণ কৰাৰ সময় নহয়নে যিসকলে আমাক ৰক্ষা কৰিবলৈ গৈ নিজৰ জীৱন উছৰ্গা কৰিব লগা হৈছে, যিসকলে স্বাৰ্থপৰ মানুহৰ হিংসাৰ বলি হব লগা হৈছে ? এবাৰ সেই পৰিয়ালবোৰৰ কথা ভাবাচোন, যিসকলে আত্মীয়জনক হেৰুৱাব লগা হৈছে, যিয়ে হয়তো ভবিষ্যতে নিজৰ পৰিয়ালক আৰু আগবঢ়াই নিব পাৰিলেহেতেন ।

অকল মানুহৰ কথা কলেই হবনে ? আনকি প্ৰকৃতি তথা প্ৰকৃতিৰ সন্তানৰ বিৰুদ্ধেও হিংসা চলিছে । আমি পাহৰি গলে নহব, এসময়ত মানুহ আৰু প্ৰকৃতিৰ জীৱ-জন্তু, চৰাই-চিৰিকতিৰ মাজত শান্তিপূৰ্ণ সহৱস্থান আছিল ।

এই আক্টোবৰ মাহতে আমি জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম বাৰ্ষিকী পালন কৰিছো । গান্ধীয়ে "মোৰ স্বপ্ন"ত ভাৰতৰ বিষয়ে কৈছে "য'ত একেবাৰে দুখীয়াজনেও অনুভব কৰিব এইখন মোৰ দেশ, যাক গঢ়িবলৈ তেওঁলোকৰো মাত মতাৰ অধিকাৰ থাকিব; এইখন এনে এখন ভাৰতবৰ্ষ হব য'ত মানুহৰ মাজত উচ্চ নীচ নাথাকিব, য'ত সকলো সম্প্ৰদায়ৰ মানুহে মিলিজুলি বাস কৰিব পাৰিব ।"

এনে ধৰণৰ সমন্বয়ৰ উন্নতি ঘটাবলৈ যি উৎসৱ পালন কৰা হয় সেই উৎসৱৰ উদ্যমটো যদি আমি বজায় ৰাখিব পাৰো তেতিয়াহে উৎসৱ পালনৰ উদ্দেশ্য আৰু বেচি অৰ্থপূৰ্ণ হব ।

সম্পাদক : বিশ্বম
Visit us at : http://www.chandamama.org

ভাৰতৰ উপ-ৰাষ্ট্ৰপতি

এখন ৰাজ্যৰ পূৰ্বৰ মুখ্যমন্ত্ৰী এজনেই বৰ্তমান ভাৰতৰ উপ-ৰাষ্ট্ৰপতি। ৰাজস্থানত প্ৰায় ১২ বছৰ কাল মুখ্যমন্ত্ৰী হিচাবে কাৰ্য্যভাৰ চলোৱা শ্ৰী ভৈৰোঁ সিং শেখৱাত-এ উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত শ্ৰীসুশীল কুমাৰ শিণ্ডে দক পোনপতীয় প্ৰতিদ্বন্দ্বীতাত পৰাজিত কৰি উপ-ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। লোকসভা আৰু ৰাজ্য সভাৰ ৭৮৮ জন সদস্যযুক্ত ইলেকটৰেল কলেজত শ্ৰীশেখৱাতে ১৪৯ ভোটৰ ব্যৱধানত জয়লাভ কৰে।

১৯২৩ চনৰ ২৩ অক্টোবৰত ৰাজস্থানৰ শিকৰ জিলাৰ এখন গাৱত শ্ৰীভৈৰোঁ সিং শেখৱাতে জন্ম গ্ৰহণ কৰিছিল। উচ্চতৰ মাধ্যমিক স্কুলৰ শিক্ষা সমাপ্ত কৰাৰ পিছত তেওঁ আৰু উচ্চ শিক্ষাৰ বাবে মন নেমেলি স্থানীয় ৰাজনীতিত সোমাই পৰিছিল। জন সঙ্ঘত যোগদান কৰি শ্ৰীশেখৱাতে ১৯৫২ চনত হোৱা প্ৰথম নিৰ্বাচনত ৰাজস্থানৰ দাতা ৰামগড় এচেম্বলি আসনৰ পৰা প্ৰতিদ্বন্দ্বীতা কৰি জয়লাভ কৰিছিল। ইয়াৰ পিছৰ বাৰ ১৯৫৭ চনত হোৱা নিৰ্বাচনত তেওঁ চিৰি মাধোপুৰ আসনৰ পৰা জয়লাভ কৰিছিল।

পাঁচ বছৰ পিছত শ্ৰীশেখৱাতে কিষাণ পোল আসনৰ পৰা জয়লাভ কৰিছিল আৰু ১৯৬৭ চনলৈকে এই আসনখন তেওঁৰ অধীনতে আছিল। ১৯৭৭ চনৰ নিৰ্বাচনত তেওঁ জনতা পাৰ্টিৰ টিকটত ছব্দ আসনৰ পৰা জয়লাভ কৰিছিল। ১৯৮০ চনত তেওঁ একেখন আসনৰ পৰাই বি জে পি ৰ টিকটত জয়লাভ কৰিছিল। ১৯৮৫, ১৯৯০ আৰু ১৯৯৩ চনৰ নিৰ্বাচনত তেওঁ নিম্বধা, ঢোলপুৰ আৰু বালি আসনৰ পৰা বি জে পি প্ৰাৰ্থী হিচাবে জয়লাভ কৰিছিল। ৰাজস্থানত তেওঁৰ জনপ্ৰিয়তাৰ কাৰণে ১৯৭৭, ১৯৯০ আৰু ১৯৯৩ চনত তেওঁক মুখ্যমন্ত্ৰী পতা হৈছিল। ১৯৯৮ চনলৈ তেওঁ মুখ্যমন্ত্ৰী হিচাবে কাৰ্য্যভাৰ চলাই আছিল।

শ্ৰীশেখৱাতে জাতীয় স্তৰৰ ৰাজনীতিলৈ সিমান মন মেলা নাছিল। ৰাজ্যিক স্তৰত বি জে পি ৰ নেতা হিচাবে থাকিয়েই সন্তোষ লাভ কৰিছিল। এবাৰ তেওঁ মুক্তভাৱে ঘোষণা কৰিছিল যে ৰাজনীতিত কোনো শত্ৰু থাকিব নোৱাৰে। তেওঁ ক্ষমতাত থকা বা নথকা কালতো বিৰোধী দলৰ সদস্য সকলৰ সৈতে বন্ধুত্বপূৰ্ণ সম্বন্ধ বজায় ৰাখিছিল। এইবাৰ তেওঁ জাতীয় গণতান্ত্ৰিক মৰ্চাৰ প্ৰাৰ্থী হিচাবে প্ৰতিদ্বন্দ্বীতা কৰি উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত জয়লাভ কৰে। উপ-ৰাষ্ট্ৰপতি হিচাবে, শ্ৰীশেখৱাত-এ ৰাজ্যসভাৰ চেয়াৰমেনৰ পদটোও লাভ কৰিব।

চান্দমামাই ইয়াৰ লাখ লাখ পাঠকৰ হৈ উপ-ৰাষ্ট্ৰপতি শ্ৰীভৈৰোঁ সিং শেখৱতলৈ অভিনন্দন জনাইছে আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।



বাদাম আৰু চন্দনকাঠ...
চিন্তুৰ পছন্দ
অতি উত্তম পছন্দ, মেদাম । মাইচোৰ চন্দাল উড বেবি চাবোন চন্দন আৰু বাদাম তেলেৰে সমৃদ্ধ । ছালৰ কাৰণে এই চাবোন খুব ভাল ।
মই মাথোঁ এইটো চাবোনেই বিচাৰো !
বুদ্ধিমান শিশুৱে সদায় মাইচোৰ চন্দল বেবি চাবোন পছন্দ কৰে ।
Mysore Sandal Baby Soap
মহীশূৰৰ চন্দনে যোৱা ৮০ বছৰৰো অধিক কাল তোমালোকৰ ঘৰলৈ চন্দনৰ সুগন্ধ কঢ়িয়াই লৈ আহিছে ।
Almond oil moisturiser and antiseptic soap.

আৰাকু উপত্যকা

ইয়াৰ পিছৰবাৰ তুমি যদি পাহাৰীয়া অঞ্চললৈ যাব খোজা তেনেহলে তুমি অন্ধ্ৰ প্ৰদেশৰ আৰাকু উপত্যকাত কেইদিনমান কটোৱাৰ কথা চিন্তা কৰিব পাৰা । আৰাকু এক শান্ত পৰিবেশৰ উপত্যকা । এই উপত্যকা বিশাখা-পটনমৰ পৰা ১১২ কি.মি. দূৰত পূৰ্বঘাটৰ অনন্তগিৰি পৰ্বতৰ ৯৭৫ মিটাৰ উচ্চতাত অৱস্থিত । ইয়াতে বাৰমাহে পানী থকা জিলদা জলপ্ৰপাতে আছে ।

ইয়াত জনজাতীয় লোক বাস কৰে । ইয়াৰ জলবায়ু শীতল আৰু প্ৰানবন্ত । ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনোমোহা, যাৰ কাৰণে পৰ্যটকসকল ইয়াৰ প্ৰতি আকৰ্ষিত হয় ।

আৰাকু উপত্যকাত বাস কৰা জনজাতীয় লোকসকলে স্থানীয় বজাৰত বাঢ়নী, তেতেলী আৰু মৌ আদি স্থানীয়ভাবে তৈয়াৰ কৰা বস্তু কিনা বেচা কৰে ।

আৰাকু উপত্যকাৰ ওচৰত বহু হাজাৰ বছৰ পুৰণি বোৰ্ৰা গুহাবোৰ আছে, যি পৰ্যটকৰ কাৰণে অতি আকৰ্ষণীয় । ইয়াৰ ওচৰতে টাইডাত জাঙ্গল বেল নেচাৰ কেম্প আছে ।

আৰাকুত জনজাতিসকলৰ এটা মিউজিয়াম আছে । ইয়াতে জনজাতীয় কলা সংস্কৃতি, জীৱন ধাৰণ পদ্ধতি অদি প্ৰদৰ্শন কৰি দেখুৱা হয় । ইয়াত এখন মডেল জনজাতীয় গাঁত আছে ।

আৰাকু উপত্যকাত তুমি সেউজীয়া গছ-গছনিৰ মাজে মাজে বহুদূৰ খোজকাঢ়ি গৈ অনন্য আনন্দ লাভ কৰিব পৰিবা আৰু বহুতো বিদেশী গছ দেখিবলৈ পাবা ।

তালৈ কেনেকৈ যাবা

ভাইজাগৰ পৰা আৰাকু উপত্যকাৰ দূৰত্ব ১১২ কি.মি. । তালৈ ৰেল আৰু বাছেৰে যাব পাৰি । প্ৰতিদিন ৰাতিপুৱা ভাইজাগৰ পৰা কোত্তাভালাচা--কিৰান্দুল লাইনেৰে আৰাকুলৈ ৰেল চলে আৰু সন্ধিয়া উভতি আহে ।



মায়া সৰোবৰ

7

(অশ্বাৰোহী সৈনিকৰ পৰা জয়শীলে জানিব পাৰিলে যে মন্ত্ৰী ধৰ্মমিত্ৰ পাহৰী পুখুৰীটোৰ পাৰত চাউনি পাতি আছে । মকৰকেতুকো জয়শীলে তালৈ লৈ যোৱাৰ সিদ্ধান্ত কৰিলে । মকৰকেতুৱে ভাবিছিল তাৰ মৃত্যু নিশ্চিত । কোনো প্ৰকাৰেই তাক জীয়াই জীয়াই এৰি নিদিব । সেয়েহে জলগ্ৰহক পানী খুউৱাৰ বুদ্ধি কৰি পুখুৰীৰ ওচৰলৈ লৈ গ'ল । সি যাতে ফাঁকি দি গুচি যাব নোৱাৰে সেই কাৰণে জয়শীল আৰু সিদ্ধসাধকো লগে লগে গ'ল । শেষত সেইটোৱে হ'ল । জলগ্ৰহৰ সৈতে চাৰিওজন পানীত ডুবি গ'ল ।) ইয়াৰ পাছত

জলগ্ৰহ যে হঠাতে পানীত ডুব গ'ল অকল সেইটোৱে নহয়, সি পানীৰ তলে তলে বেগেৰে আগবাঢ়িবলৈও ধৰিলে । জয়শীল আৰু সিদ্ধসাধকক ওপৰলৈ উঠি অহাৰ কোনো সুবিধাই নিদিলে । সিদ্ধসাধকে মৃত্যু নিশ্চিত বুলি জানি ভয়তে চিঞৰিবলৈ ধৰিলে-'জয় মহাকালী'।

জয়শীলে সেই চিঞৰ স্পষ্ট শুনিবলৈ পালে । সম্মুখত বহি থকা মকৰকেতুকো তেওঁ স্পষ্ট দেখিবলৈ পালে । ইয়াৰ মানে হ'ল তেওঁলোক পানীৰ তলত আছে আৰু পানীৰ তলত থাকিও পানীৰ তলৰ অংশ ভালদৰে দেখিবলৈ পাইছে । পানীৰ তলত শব্দও শুনিবলৈ পাইছে । তেওঁ বৰ আচৰিত হ'ল ।

জয়শীলে মকৰকেতুৰ গলধনত হাতেৰে

মেৰিয়াই ধৰি কলে- "হেই দুষ্ট, তুমি এই কি কৰিলা ? আমাক পানীত বুৰাই মাৰিব খুজিছা?"

মকৰকেতুৱে অট্টহাঁহি মাৰি কলে- "জয়শীল, এতিয়া আমি পানীৰ তলত আছো। মানুহে পানীৰ ইমান তলত থাকিও উশাহ লব পাৰেনে ? কোৱা পাৰেনে ? পানীৰ তলত থাকি দেখিব পাৰেনে ?"

জলগ্ৰহে পোনে পোনে বেগেৰে আগবাঢ়ি গৈ আছিল । সম্মুখত পানীৰ তলত পাহাৰী গুহা এটাৰ পৰা জোৰেৰে পানী প্ৰবাহিত হৈ আছিল ।

জলগ্ৰহৰ ওপৰত উঠি থকা মকৰকেতুৱে চিঞৰি উঠিল 'জলগ্ৰহ' । তাক পাহাৰী গুহাটোৰ ফালে যাবলৈ দি কলে, "জয়শীল, সিদ্ধসাধক, তোমালোকে একো কোৱা নাই কিয় ? কিয় মনে মনে আছা ? চিন্তা লাগিছে নেকি ? তোমালোক দুয়ো পানীৰ তলত আছা, অথচ জীয়াই আছা । ইয়াৰ কাৰণ কি জানিব বিচাৰিছা নেকি ?"

"হয়, জানিব পাৰিছো । তোমাৰ জলগ্ৰহৰ ওপৰত যেতিয়ালৈকে আমি উঠি থাকিম তেতিয়ালৈকে আমাৰ দৰে মানুহো জীয়াই থাকিব পাৰিম আৰু উশাহ লব পাৰিম," জয়শীলে কলে । তেওঁৰ কথাৰ পৰা স্পষ্ট বুজা গৈছিল তেওঁৰ কোনো ভয় লগা নাই ।

"তুমি ঠিকেই কৈছা । পিছে তুমি তোমাৰ তৰোৱালৰ মুঠিত হাত দিছা কিয় ?" মকৰকেতুৱে ব্যঙ্গ সুৰে জয়শীলক সুধিলে ।

"তোমাৰ মূৰটো কাটিবৰ কাৰণে । জলগ্ৰহক পানীৰ ওপৰলৈ লৈ যাবা নে নাই ?" কঠোৰভাবে জয়শীলে সুধিলে ।

সিদ্ধসাধকে শূলপাত তুলি লৈ কলে- "জয় মহাকালী, এতিয়ালৈকে তুমি বোধ হয় এনে ভক্ত দেখা নাই, যিয়ে পানীৰ তলতো তোমাৰ উদ্দেশ্যে কোনো প্ৰাণীক বলি দিছে। আজি সেই অদ্ভুত ঘটনা ইয়াতে ঘটিব ।" এইবুলি কৈ সিদ্ধসাধকে শূলপাত মকৰকেতুৰ ফালে মাৰি দিলে ।

মকৰকেতুৱে জোৰেৰে হাঁহিমাৰি কলে, "তোমালোকৰ আজ্ঞা পালন নকৰোঁ । ইয়াৰ কাৰণে কি তোমালোকে মোৰ মূৰটো কাটি দিবা ? আৰু তোমালোকে যদি সেইটোকে কৰা তেনেহলে মনত ৰাখিবা পানীৰ তলত তোমালোকৰ জীয়াই থকাৰ শক্তি ক্ষীণ হৈ আহিব । তোমালোকৰ দুয়োৰে শদুটা পানীৰ ওপৰত ভাহি থাকিব ।"

মকৰকেতুৰ কথাৰ পৰা তেওঁলোক দুয়ো

বুজিব পাৰিলে এতিয়া তেওঁলোক মকৰ-কেতুৰ হাতত বন্দী। তেওঁলোকৰ মনত ভয় হ'ল।

"জয়শীল, তোমালোক দুয়ো মোৰ বন্দী নহয়। ময়ো তোমালোকৰ বন্দী নহয়। জলগ্ৰহে যেতিয়া পানীৰ তলেৰে গৈ সিপাৰে থকা পাহাৰৰ জলাশয়ত গৈ উপস্থিত হব তেতিয়া তোমালোকে নিৰ্বিঘ্নে যাব পাৰিবা।"

আধা ঘন্টাৰ ভিতৰতে জলগ্ৰহে জলাশয়টো গৈ পালে। মকৰকেতুৰ আদেশ মতে জলগ্ৰহ পানীৰ তলৰ পৰা ওপৰলৈ উঠি আহিবলৈ ধৰিলে আৰু শূৰ উঠাই জোৰেৰে চিঞৰ মাৰিলে। জয়শীল আৰু সিদ্ধসাধকে দীঘলকৈ নিশ্বাস ললে আৰু জীৱন্তে আহি পাৰ পোৱা বাবে আনন্দিত হ'ল। জয়শীলে মকৰকেতুক সুধিলে, "মকৰকেতু, এইটোৱে মায়া সৰোবৰ নেকি?

মকৰকেতুৱে জয়শীলৰ ফালে ঘূৰি কলে," জয়শীল এইটো মায়া সৰোবৰ নহয়। যি মানুহে সেইটো দেখিছে আজিলৈকে জীয়াই জীয়াই ঘূৰি অহা নাই।

জয়শীলে আৰু কিবাকিবি সুধিব খুজিছিল। এনেতে মকৰকেতুৱে চিঞৰি উঠিল, "জলগ্ৰহ"।

জয়শীল আৰু সিদ্ধসাধকে যেতিয়া জানিব পাৰিলে তেওঁলোক এতিয়া বিপদত পৰিব, তেতিয়া দুয়ো জলগ্ৰহৰ ওপৰৰ পৰা জাঁপ মাৰি পানীত পৰিল আৰু সাঁতুৰি যাবলৈ ধৰিলে। অলপ পিছতে তেওঁলোকে এডাল গছ পানীত উটি অহা দেখিবলৈ পালে আৰু সেইডালত গৈ ধৰিলে। তাৰ পাছত এটা ডালত ভালদৰে উঠি ললে। গছৰ ডালত



উঠাৰ পিছত তেওঁলোকে দেখিলে এটা বাঘ অইন এটা ডালত আগঠেং দুখনেৰে ধৰি ওলমি আছে। গছডাল উঠি গৈ গৈ ওচৰতে থকা জলপ্ৰপাত পালে। সেই জলপ্ৰপাতেৰে উঠি গৈ গছডাল তলত পৰিব। জয়শীল আৰু সিদ্ধসাধকে ভাবিলে এয়া তেওঁলোকৰ জীৱনৰ শেষ ক্ষণ। ভয়তে তেওঁলোকে চকু মুদি দিলে।

পাহাৰৰ ওপৰৰ পৰা জলপ্ৰপাতৰ পানী য'ত তলত পৰিছিল সেই ঠাইত সৰু ডাঙৰ বহুতো শিল আছিল। গছডাল মাজতে দুভাগ হৈ ভাঙি গৈ তলত পৰিল। ফলস্বৰূপে তেওঁলোক উঠি থকা ডালটোও দুভাগ হৈ গ'ল। এটা ভাগত জয়শীল আৰু অন্য ভাগটোত সিদ্ধসাধক আৰু বাঘটো আছিল। অলপ পিছতে জয়শীলে চকু মেলি চাৰিওফালে এবাৰ চালে। তেওঁৰ শৰীৰৰ

আধাভাগ পানীৰ তলত আছিল । দূৰৰ পৰা জলপ্ৰপাতৰ কলকল ধ্বনি শুনা গৈছিল ।

"আঃ, এয়া কি ? মই জীয়াই আছো !" জয়শীলে নিজে নিজে ভাবি উঠি থিয় হ'ল । হঠাতে তেওঁৰ সিদ্ধসাধকৰ কথা মনত পৰিল। 'তেওঁ ক'ত বাৰু ?' ইয়াকে ভাবি তেওঁ চাৰিওফালে এবাৰ ঘূৰি চালে । কিন্তু কতো দেখা নাপালে ।

জয়শীলে তাৰপৰা অলপ আগবাঢ়ি গ'ল। হঠাতে তেওঁ বাঘৰ গোজৰণি শুনিবলৈ পালে। তেতিয়া তেওঁৰ গছৰ লগে লগে উটি অহা বাঘটোৰ কথা মনত পৰিল ।

তেওঁ খাপৰ পৰা তৰোৱাল উলিয়াই লৈ যিফালৰ পৰা বাঘৰ গোজৰণিৰ শব্দ ভাহি আহিছিল সেই ফালে আগবাঢ়ি গ'ল ।

অলপ দূৰ গৈ জয়শীলে দেখিবলৈ পালে সিদ্ধসাধক এঠাইত অচেতন হৈ পৰি আছে। বাঘৰ পিছঠেং দুখনত বহুত আঘাত লাগিছিল, সেয়েহে আগঠেং দুখনেৰে পৰি আছে । বাঘৰ পিছঠেং দুখনেৰে বগুৱাই সিদ্ধসাধকৰ ফালে বাঘটো আগবাঢ়ি গৈ আছিল ।

জয়শীলে তৎক্ষণাত এটা শিল বাঘটোৰ ফালে দলিয়াই দিলে । শিলটো গাত লগাত সি গুজৰি উঠিল আৰু পিছলৈ ঘূৰি চালে ।

বাঘৰ গোজৰণিত সিদ্ধসাধকৰ চেতনা আহিল । শঙ্কিত হৈ মূৰটো দাঙি চাই দেখিলে বাঘটো তেনেই সন্মুখত । "ৰক্ষা কৰা মহাকালী !" বুলি সিদ্ধসাধক চিঞৰি উঠিল।

জয়শীলে জানিব পাৰিছিল বাঘৰ পিছ ঠেংদুখন ভাঙি গৈছে । তেওঁ সেই ঠেং দুখনত ভালদৰে ধৰি টানি চোচৰাই লৈ গৈছিল । সিদ্ধসাধকে থিয় হৈ জয়শীলক দেখি সুধিলে, "জয়শীল, তুমি ইয়াত ? বাঘৰ গোজৰণি শুনিহে মোৰ চেতনা ঘূৰি আহিছে ।"

সিদ্ধসাধক পৰি থকা ঠাইৰ অলপ আঁতৰত সাধকে শূলপাত পালে । জয়শীলে তৰোৱালখন দাঙি কলে, "এই ব্ৰঘটোৱে নৰক যন্ত্ৰনা ভোগ কৰি আছে । প্ৰাণটো লৈ চটফটাই আছে । এই দুৰাৱস্থা মই চাই থাকিব নোৱাৰো । তাক এতিয়াই মই এই যন্ত্ৰণাৰ পৰা মুক্ত কৰি দিম । ইয়াতেই পূণ্য হব ।" এইবুলি কৈ জয়শীলে তৰোৱালেৰে বাঘৰ মূৰটো কাটি দিলে ।

ইয়াৰ পিছত জয়শীলে অলপ সময় চিন্তামগ্ন হৈ থাকি কলে, "আমি মকৰকেতুক এৰি দিব নালাগিছিল ।"

"জয়শীল, যি হৈ গ'ল সেই কথা ভাবি আৰু লাভ নাই । যি হব লগা আছে সেই

কথাহে এতিয়া চিন্তা কৰা উচিত । এতিয়া প্ৰশ্ন হ'ল, আমি এতিয়া কোন দেশত আহি উপস্থিত হৈছো, আৰু এই দেশখন কেনেকুৱা?" সিদ্ধসাধকে কলে ।

জয়শীলে ইয়াৰ উত্তৰ দিব খুজিছিলহে, এনেতে নদীৰ ওচৰৰ ঘন হাবিৰ মাজত এজন মানুহৰ হাহাকাৰ শুনা গ'ল । লগতে শুনা গ'ল পাহাৰী কুকুৰনেচীয়া বাঘৰ চিঞৰ ।"

পাহাৰী কুকুৰনেচীয়া বাঘে মানুহক ধৰিছে নেকি ? নে মানুহেই পাহাৰী কুকুৰনেচীয়া বাঘক নিজৰ বশলৈ আনিছে ? অনুমান হৈছে দুয়োৰে জীৱনলৈ বিপদ আহিছে । ব'লা, তালৈকে যাওঁ ।" সিদ্ধসাধকে কলে ।

যিফালৰ পৰা হাহাকাৰৰ শব্দ শুনা গৈছিল । দুয়ো সেইফালে আগবাঢ়ি গ'ল । অলপ দূৰ যোৱাৰ পিছত তেওঁলোকে এটা দৃশ্য দেখিলে । সেই দৃশ্য দেখি তেওঁলোকৰ ভয়ো লাগিল আৰু আচৰিতো হ'ল । পানীৰ কাষতে যিডাল ডাঙৰ গছ আছিল সেইডালৰ ডালত ওলমি আছিল এটা ভেৰা আৰু এজন বাত্তনা মানুহ ।

সেই দৃশ্য দেখি সিদ্ধসাধকে শূলপাত দাঙি লৈ কলে, "ইহঁত দুয়োকে কোনো অদৃশ্য ভূতে বান্ধি ৰাখিছে । এই শূলেৰে সেই অদৃশ্য ভূতৰ বুকু ইফাল-সিফাল কৰি দিম ।" এইবুলি কৈ তেওঁ শূলপাত মাৰি পঠিয়াব খুজিছিল এনেতে গছৰ ঠানি এটা ওলমি আহি তেওঁৰ কান্ধত মেৰিয়াই ধৰিলে ।

সিদ্ধসাধকে জাঁপ মাৰি সেই গছডালৰ পৰা অলপ দূৰলৈ আহি কলে, "জয়শীল, সাৱধান যিয়ে ইহঁত দুজনক বান্ধি ৰাখিছে সেয়া ভূত নহয়, কোনো ৰাক্ষস হে ।"

জয়শীলে তাৰ কোনো উত্তৰ নিদি গছডালৰ ওচৰলৈ আহি তৰোৱালেৰে গছৰ ডালটো কাটি দিলে । বাওনা মানুহজন আৰু ভেৰাটো গৈ নদীৰ পানীত পৰিল ।

বাওনাজনে থৰথৰ কৈ কঁপি পানীৰ পৰা উঠি আহি দুয়োৰে ফালে একেথৰে চাই নম্ৰভাবে কলে, "মহাশয়, আপোনালোকে এই সেনাপতিক মানুহ খোৱা গছৰ কবলৰ পৰ ৰক্ষা কৰিলে । তাৰ কাৰণে বহুত ধন্যবাদ । আমাৰ মহাৰাণীয়ে আপোনা-লোকক নিশ্চয় ইয়াৰ উপযুক্ত পুৰস্কাৰ দিব ।

তেওঁ কথাটো শেষ হোৱাৰ লগে লগে গছডালৰ পিছফালৰ পৰা শব্দ শুনা গ'ল । অলপ পিছতে তেওঁলোকে দেখিলে এজনী তিৰোতা ৰথৰ ওপৰত উঠি আহি আছে । তেওঁ হৰিণৰ ছাল তথা বগলী আৰু ময়ুৰৰ পাখীৰে তৈয়াৰী মুকুত পিন্ধিছিল । সেই

ৰথখন টানিছিল দুটা পাহৰী ভেৰাই । তেওঁৰ ৰথৰ দুয়ো কাষে আৰু পিছফালে হাতত যাঠীলৈ ভেৰাৰ ওপৰত উঠি আহিছিল কিছুমান বাওনা মানুহ ।

তেওঁক দেখিয়েই বাওনা সেনাপতিজন আগবাঢ়ি আহি মাতিলে, "মহাৰাণী"! তাৰ পাছত তিৰোতা গৰাকীক প্ৰণাম জনাই জয়শীল আৰু সিদ্ধসাধকক পৰিচয় কৰাই দি কলে, "এওঁলোক দুয়ো মোক এই জীৱ-ভক্ষক গছৰ কবলৰ পৰা ৰক্ষা কৰিছে ।"

বাওনাৰ ৰাণীয়ে কলে, "অশেষ ধন্যবাদ।" তাৰ পাছত তেওঁ দুয়োৰে ফালে মুখ কৰি কলে, "হে বীৰদ্বয়, যোৱা ৰাতি মই তোমালোক দুয়োকে সপোনত দেখিছিলো । তোমালোক দুয়ো প্ৰতিজ্ঞা কৰিছিলা যে তোমালোকে শত্ৰুক সংহাৰ কৰিবা । লগতে আমাকো ৰক্ষা কৰিবা । সেই দুজনেই তোমালোক দুয়ো নহয় নে ?"

"ৰাণীগৰাকী খুব চতুৰ যেন পাইছো । জয়শীল, আমি সাৱধান হব লাগিব ।" সিদ্ধসাধকে সৰু সৰুকৈ জয়শীলক কলে ।

"তথাপি তেওঁলোক বিপদত পৰিছে । সেয়েহে আমি তেওঁলোকক সহায় কৰা উচিত ।" জয়শীলে কলে । সাধকে অনিশ্চা প্ৰকাশ কৰি মূৰটো লৰাই কলে, "নহয় জয়শীল, আমি আমাৰ লক্ষ্যৰ কথা পাহৰি এই কামত আমাৰ অমূল্য সময় নষ্ট কৰা উচিত নহব ।"

"সাধক, কনকাক্ষ ৰজাৰ পুত্ৰ কন্যাৰ প্ৰাণৰ দৰে এওঁলোকৰো এনে প্ৰাণ । শুনিবলৈ পাইছো এওঁলোকৰ কাৰোবাৰ পৰা বিপদ হব পাৰে । এওঁলোকক যথাসাধ্যে সহায় কৰাতো আমাৰ কৰ্ত্তব্য বুলি মই ভাবো।" জয়শীলে কলে ।

এনেতে ওচৰৰ পাহাৰৰ পৰা এটা ভয়ানক চিঞৰৰ শুনা গ'ল । সকলোৱে সেইফালে ঘূৰি

চালে। দহ বাৰ ফুট ওখ এটা বিকৃত আকাৰৰ প্ৰাণী পাহাৰৰ ওপৰত থিয় হৈ থকা দেখা গ'ল। তাৰ হাতত এটা বৰ ডাঙৰ পাথৰ আছিল। তাৰ কঁকালত এডাল শিকলি বন্ধা আছিল। শিকলিডালৰ এটা মূৰ এখন হাতেৰে ধৰি আনখন হাতেৰে তৰোৱাল লৈ তাত এজন মানুহ থিয় হৈ আছিল।

সেই বিকৃত আকাৰৰ প্ৰাণীটো দেখি বাওনা ৰাণী সহ সকলোৱে থৰথৰ কৈ কঁপিবলৈ ধৰিলে। বিকৃত প্ৰাণীটোৰ কাষত যিজন থিয় হৈ আছিল সেই মানুহজনে তৰোৱালেৰে তাৰ পিঠিত খুচিবলৈ ধৰিলে। প্ৰাণীটোৱে ডাঙৰ পাথৰটো হাতত লৈ ইফালে-সিফালে দুলিবলৈ ধৰিলে।

জয়শীলে সিদ্ধসাধকক কলে, "সাধক, এই ভয়ঙ্কৰ জন্তুটোক বশ কৰি খেলি থকাজন কোনো বাওনা নহয়, আমাৰ দৰেই এজন মানুহ। সেইটো কি ধৰণৰ জন্তু বাৰু?" তাৰ পাছত ৰাণীৰ ফালে মুখ কৰি ৰাণীক সুধিলে, "মহাৰাণী, আপুনি আপোনাৰ শত্ৰুৰ কথা কৈছিল নহয়। সেই দেখিবলৈ পোৱা জন্তুটো আৰু তাৰ লগত মানুহজন নেকি বাৰু?"

ৰাণীয়ে অলপ সংযত হৈ তেওঁলোক দুয়োৰে সন্মুখলৈ আহি কলে, "মহাযোদ্ধা দ্বয়, আমাৰ শত্ৰু আৰু কোনো নহয়, পৰ্বতৰ সেই পাৰে থকা আমাৰ জাতিৰেই কিন্তু তেওঁলোকে যক্ষ জাতিৰ বুলি দাবী কৰি কৈছে আৰু আমাতকৈ উত্তম। এই কথাক লৈ বহুত গৰ্ব কৰে। তেওঁলোকে আমাক বিনাশ কৰিব বিচাৰিছে।

"তেওঁলোকেইতো এই ভয়ঙ্কৰ জন্তুকো পোহনীয়া কৰি লৈছে। তেওঁলোকৰ কাৰণে এই জন্তুৰ দ্বাৰা আপোনালোকক পৰাজয় কৰা আৰু নিজৰ বশ কৰি লোৱা তেনেই সহজ। কিন্তু তেওঁলোকে সেইটো কিয় কৰা নাই?" জয়শীলে নিজৰ মনৰ সন্দেহ প্ৰকাশ কৰি কলে।

"মহাশয়, সেইটো ভয়ঙ্কৰ জন্তু নৰবানৰ। তাক যিয়ে পাথৰ দলিয়াবলৈ আদেশ দিছে সেইজন আপোনালোকৰ দৰেই মানৱ। এই দুজনে দহদিন আগতে আমাৰ শত্ৰুৰ সৈতে বন্ধুত্ব কৰি লৈছে।" বাওনা ৰাণীয়ে কলে।

ৰাণীৰ কথা শেষ হোৱাৰ আগতে নৰবানৰে এটা ভয়ঙ্কৰ চিঞৰ মাৰি ডাঙৰ পাথৰটো বাওনাবোৰৰ ফালে দলি মাৰি দিলে। (আগলৈ)

এক আদৰ্শ পত্নী

হোজা নাছিৰুদ্দিনে এদিন বন্ধু এজনৰ সৈতে চাহ খাই আছিল । সেই সময়তে অন্য এজন বন্ধু আহি অতি আনন্দিত হৈ আভিবাদন জনাই কলে, "অহা সপ্তাহত মোৰ বিয়া পাতিছো । সেয়েহে মোৰ মনত খুব আনন্দ লাগিছে । বাৰু হোজা, তুমি নিজৰ বিয়াখন পতাৰ কথা কিয় ভবা নাই ?"

"কিয় নাভাবিম ! ভাবিছিলো । পিছে সেইবোৰ বহুদিন আগৰ কথা ।" হোজাই উত্তৰ দিলে ।

"কিয় ? কি হ'ল ? কইনা বিচাৰি নাপালা নেকি ?" বন্ধুজনে সুধিলে ।

"নহয়, তেনে কথা নহয় । যেতিয়া মই যুৱক আছিলো এবাৰ মই আদৰ্শ পত্নী বিতাৰি ঘৰৰ পৰা ওলাই গৈছিলো । নদ-নদী, পৰ্বত-পাহৰ পাৰ হৈ বহুতো ঠাই ঘূৰিলো । অৱশেষত পৰ্বতৰ কাষৰ সৰু গাওঁ এখনত এজনী ধুনীয়া ছোৱালী দেখা পালো । তাই যিমান বুদ্ধিমতী আছিল সিমান উদাৰো আছিল । কিন্তু তাইৰ সাংসাৰিক জ্ঞান মুঠেই নাছিল । মই ভাবিলো দৈনন্দিন কামত তাই মোক সহায় কৰিব নোৱাৰিব, সেয়েহে মই তাইক বিয়া নকৰালো । এইদৰে গৈ গৈ মই এখন ডাঙৰ চহৰত গৈ উপস্থিত হলো । তাত মোৰ এজনী সুন্দৰী নাৰীৰ সৈতে দেখাদেখি হ'ল । তাই বুদ্ধিমতী আৰু দয়ালু আছিল আৰু সাংসাৰিক কামতো পাকৈত আছিল । তাইক যোগ্য নাৰী যেনেই লাগিছিল ।

"তাৰ পিছত কি হ'ল ? তেওঁৰ লগত কিয় বিয়া ন'হল ?" দুয়ো বন্ধুৱে একেলগে সুধিলে ।

"তাই মোৰ কথা বুজি নাপায় আৰু ময়ো তাইৰ কথা বুজি নাপাওঁ ।" হোজাই কলে । সেয়েহে মই ভাবিলো যি তিৰোতাৰ লগত কথা হব নোৱাৰিম তেনে তিৰোতা বিয়া কৰাই লাভ কি ? তাৰ পাছত মই আৰু দূৰ ঠাইলৈ যাত্ৰা কৰিলো আৰু গৈ গৈ মিচৰ পালো । তাত মই এজনী তিৰোতা লগ পালো। তিৰোতাজনী ধুনীয়া আছিল । সাংসাৰিক জ্ঞানো আছিল আৰু আমাৰ ভাষাও বুজি পাইছিল । তিৰোতাজনী সকলো ফালৰ পৰাই পৰিপূৰ্ণ আছিল । তেওঁৰ লগত কথা হৈ মোৰ ভাল লাগিল । মই তৎক্ষণাৎ বুজিব পাৰিলো মই এজনী আদৰ্শ পত্নী পাই গলো ।"

"আঃ ! হোজা ! এনে এজনী আদৰ্শ তিৰোতাক হাতৰ পৰা কিয় যাবলৈ দিলা ? তেওঁক বিয়া নকৰালা কিয় ?" দুই বন্ধুৱে কলে ।

"আঃ ! হোজাই উদাস হৈ মূৰটো লৰাই কলে । মইনো কি কৰিম । তেওঁ এক আদৰ্শ পতিৰ সন্ধানত আছিল ।"

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

সিদ্ধেন্দ্ৰৰ হিতোপদেশ

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল । গছৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ শ্মশানৰ ফালে আগবাঢ়িবলৈ ধৰিলে। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, “ৰাজন, তোমাৰ সাহসক ধন্যবাদ জনাইছো । তুমি নিজৰ জীৱনৰ অনিষ্ট হোৱাৰ আশঙ্কা থকা কাম কৰি আছা । কিন্তু কিয় ? তুমি কি পাব বিচাৰিছা ? তুমি ৰাজাধিৰাজ। তোমাৰ ওচৰত কি নাই? তুমি গোটেই ৰাজ্যৰে গৰাকী । প্ৰজাসকলৰো তোমাৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তি আছে। কোনো এজনেও তোমাৰ লগত শত্ৰুতা কৰিবলৈ সাহস নকৰে। তথাপি তুমি আকৌ কি পাবলৈ ইমান কষ্ট কৰিছা ? তুমি কোনো মন্ত্ৰ-তন্ত্ৰ শক্তি লাভ কৰিবলৈ চেষ্টা কৰা



নাইতো? তেনেহলে মই তোমাক কব খোজো, তুমি সাৱধান হোৱা দৰকাৰ । কিয়নো এয়া তৰোৱালৰ ধাৰৰ ওপৰেৰে খোজকাঢ়ি যোৱাৰ সমান । ইয়াক ব্যৱহাৰ কৰাতো অতি বিপদজনক ।

সিদ্ধেন্দ্র নামৰ এজন পণ্ডিতে তেওঁৰ শিষ্যবোৰৰ ভিতৰত বিজয় সিংহ নামৰ এজন শিষ্যক সাৱধান কৰি দি কৈছিল যে, নিজ স্বাৰ্থ পূৰণৰ কাৰণে মন্ত্ৰ-তন্ত্ৰক ব্যৱহাৰ কৰা উচিত নহয় । কিন্তু তেওঁ নিজ স্বাৰ্থ পূৰণৰ কাৰণে এই শক্তি প্ৰয়োগ কৰিছিল । আনহাতে অন্য এজন পণ্ডিতে বিজয় সিংহক সমৰ্থন কৰি এই বুলি মতামত দিছিল যে এয়া স্বাৰ্থ আৰু অধৰ্মৰ কাম নহয় । এই পণ্ডিতজনে নিজৰ মতত জোৰ দি কৈলিছ যে অশেষ পৰিশ্ৰম কৰাৰ পিছত যি সিদ্ধি লাভ হৈছে সেয়া প্ৰয়োগ কৰিলে কিয় ভুল হব । উদাহৰণ স্বৰূপে মই তোমাক ৰবিবৰ্মা আৰু বিজয় সিংহৰ কাহিনী কম । পথৰ ভাগৰৰ কথা পাহৰি মনোযোগেৰে মোৰ কাহিনী শুনিবা, ইয়াৰ দ্বাৰা তোমাৰ উপকাৰ হব ।" এইবুলি কৈ তেওঁ কাহিনী আৰম্ভ কৰিলে ।

পণ্ডিত সিদ্ধেন্দ্ৰই অৰণ্যৰ মাজত এখন গুৰুকুল চলাই আছিল । যিসকল বিদ্যাৰ্থীৰ গুৰুকুলত বিদ্যা শিক্ষা শেষ হৈছিল তেওঁলোকৰ বিদায় সভাত পণ্ডিতে বিদ্যাৰ্থীসকলক উদ্দেশ্য কৰি কৈছিল, "মই যিমানখিনি বিদ্যা জানো সকলোবোৰ তোমালোকক শিকাইছো । তোমালোকে সদায় এটা অতি মুখ্য ধৰ্মসূত্ৰ মনত ৰাখিব লাগিব । মানুহে যি লাভ কৰিব বিচাৰে সেয়া নিজৰ পৰিশ্ৰম, আগ্ৰহ, মানসিক আৰু শাৰীৰিক অনুশাসনৰ দ্বাৰা হে লাভ কৰিব পাৰে । কিন্তু কেতিয়াবা এনেকুৱাও হয় যে কঠোৰ পৰিশ্ৰম কৰাৰ পিছতো তেওঁ কোনো সুফল নাপায় অথবা পৰিশ্ৰম অনুসাৰে সফলতা লাভ কৰিব নোৱাৰে । তেতিয়া এনে পৰিস্থিতিত হে তোমালোকে সেই মন্ত্ৰ শক্তি কামত লগাব লাগিব, যিবোৰ মই তোমালোকক শিকাইছো । এনে নকৰি সহজতে ফল পোৱাৰ উদ্দেশ্যে ইয়াক প্ৰয়োগ কৰিলে ইয়াৰ দ্বাৰা তোমালোকৰ অপকাৰ হব ।"

গুৰু সিদ্ধেন্দ্ৰৰ এই উপদেশ গৌতমীপুৰৰ বাসী ৰবি বৰ্মা আৰু বিজয় সিংহৰ খুব ভাল লাগিল । তেওঁলোক দুয়ো নলেগলে লগা বন্ধু আছিল । যোৱা দহবছৰে তেওঁলোকে এই গুৰুকুলতে শিক্ষা গ্ৰহণ কৰিছে । গুৰু সিদ্ধেন্দ্ৰই দুয়োকে সমানে মৰম কৰে । বিদ্যা শিক্ষা সমাপ্ত হোৱাৰ পিছত তেওঁলোকে নিজ ঠাইলৈ বুলি উভতি যাবলৈ সাজু হৈছে । যোৱাৰ আগতে তেওঁলোকে গুৰুক সাষ্টাঙ্গ

প্ৰনাম কৰিলে । গুৰুৱে আশীৰ্বাদ দি হাঁহি মাৰিলে । এই হাঁহিৰ অৰ্থ হ’ল তেওঁলোকে যেন গুৰুৰ উপদেশৰ কথা পাহৰি নাযায় ।

তেওঁলোক গৈ গৈ গোপুৰ নামৰ এখন গাঁৱত গৈ উপস্থিত হ’ল । তেওঁলোকে গাঁৱৰ মাজতে থকা অতিথিশালাত গৈ উঠিল । অতিথিশালাত খোৱা-লোৱা কৰি তাৰ বাৰান্দাত গৈ বহিল । সেই সময়ত তেওঁলোকে গাওঁবাসীৰ কথা বতৰাৰ পৰা জানিব পাৰিলে সেইদিনা সন্ধিয়াই তাত মল্লযুদ্ধ প্ৰতিযোগিতা সম্পন্ন হব । সেই গাঁৱাতে ত্ৰিনেত্ৰ নামৰ এজন মল্লবীৰ আছে। তেওঁ সকলোকে গৰ্ব কৰি কয় যে মল্লযুদ্ধত কোনো বীৰে তেওঁক পৰাজিত কৰিব নোৱাৰে । তেওঁ এই বুলি ঘোষণা কৰি দিছে যে তেওঁক যিয়ে পৰাজিত কৰিব পাৰিব সেই বীৰক এহেজাৰ টকা পুৰস্কাৰ দিয়া হব । সেই পুৰস্কাৰ গাঁৱৰ মুখীয়ালজনৰ হাতত থাকিব ।

এই কথা শুনি ৰবি বৰ্মাই বিজয় সিংহক কলে, “বিজয়, আমি গুৰুকুলত মল্লযুদ্ধৰ শিক্ষা লৈছো । অকল পুৰস্কাৰ পোৱাৰ কাৰণেই নহয়, আমিনো মল্লযুদ্ধত কিমান পাৰ্গত সেই কথাটো জানিবলৈকে এই প্ৰতিযোগিতাত ভাগ লম । গুৰুদেৱে যি প্ৰতিযোগিতা পাতিছিল সেই প্ৰতিযোগিতাত মই সকলোকে পৰাজিত কৰিছিলো। সেয়েহে মই ত্ৰিনেত্ৰৰ লগতো মল্লযুদ্ধ কৰিব বিচাৰো।”

তেতিয়া বিজয় সিংহই আপত্তি দৰ্শাই কলে, “বন্ধু, এই সুযোগটো মোক দিয়া । তুমি ধনী মানুহ । তোমাৰ ধনৰ কোনো আৱশ্যক নাই । এই এহেজাৰ টকা অৰ্জন কৰাৰ সুযোগ মোক দিয়া ।

ৰবি বৰ্মাই আনন্দ মনেৰে বিজয় সিংহৰ





প্ৰস্তাৱ মানি ললে । সন্ধিয়া তেওঁলোক দুয়ো য'ত মল্লযুদ্ধ অনুষ্ঠিত হব সেই ঠাইলৈ গ'ল। তাত মানুহৰ খুব ভিৰ আছিল । গাঁৱৰ মুখীয়ালজন আৰু অন্যান্য দুই চাৰিজন গণ্য মান্য ব্যক্তি মঞ্চত বহি আছিল । মল্লযুদ্ধ আৰম্ভ হ'ল । চাওঁতে চাওঁতে ত্ৰিনেত্ৰই কিমান যে মল্লবীৰক পৰাজিত কৰিলে ।

অৱশেষত বিজয় সিংহৰ পাল পৰিল । বিজয় সিংহৰ প্ৰহাৰত ত্ৰিনেত্ৰ লেবেজান হৈ গ'ল । চাৰি-পাঁচ মিনিটৰ ভিতৰতে বিজয় সিংহই ত্ৰিনেত্ৰক মাটিত ওলোটাই পেলাই দিলে আৰু তেওঁৰ দুই ভৰিত ধৰি ঘূৰাবলৈ ধৰিলে ।

তাকে দেখি মানুহে হৰ্ষধবনি কৰিবলৈ ধৰিলে । গাঁৱৰ মুখীয়ালজনে বিজয় সিংহক এহেজাৰ টকা পুৰস্কাৰ দিলে আৰু তেওঁৰ বীৰত্বৰ প্ৰশংসা কৰিলে । দুয়ো বন্ধুয়ে ৰাতিটো অতিথিশালাতে থাকিল । ৰাতিপুৱা তেওঁলোকে ঘৰলৈ বুলি যাত্ৰা কৰিলে । সন্ধিয়া হোৱাৰ সময়ত তেওঁলোক গৈ এখন হাবি পালে । এই এন্ধাৰত আৰু আগবঢ়াটো উচিত নহব বুলি ভাবি দুয়ো এডাল গছৰ তলত আশ্ৰয় ললে আৰু তাতেই শুই পৰিল।

আধামান ৰাতি কোনোবাই গাত থপৰিয়াই দিয়াত তেওঁলোকে চকু মেলি চালে। চাই দেখিবলৈ পালে তিনিজন হৃষ্ট-পুষ্ট ডকাইতে হাতত তৰোৱাল লৈ সন্মুখত থিয় হৈ আছে । সিহঁতক দেখি বিজয় সিংহই কঠোৰ স্বৰে সুধিলে, "তোমালোক কোন?"

এজন ডকাইতে অট্টহাঁহি মাৰি কলে, "দেখা পোৱা নাই ? গাঁৱৰ মুখীয়ালে যি এহেজাৰ টকা দিছে সেই টকা আমাক দিয়া, নহলে দুয়োকে কাটি টুকুৰা-টুকুৰ কৰিম ।" ডাকাইতটোৱে বিজয় সিংহৰ ডিঙিত তৰোৱালখন লগাই দিলে ।

তেতিয়া বিজয় সিংহই টিলিকি বজায় দিলে, লগে লগে ডকাইতজন তেজ বমি কৰি মাটিত বাগৰি পৰিল । লগৰীয়াজনৰ এই অৱস্থা দেখী বাকী দুজন ডকাইতে "মান্ত্ৰিক,মান্ত্ৰিক!" বুলি চিঞৰি দৌৰি পলাবলৈ ধৰিলে । এই কাৰ্য্যত আশ্চৰ্য্য প্ৰকাশ কৰি ৰবি বৰ্মাই বিজয় সিংহক সুধিলে, "সঁচা কথা কোৱা । এই ডকাইতটোৰ ওপৰত তুমি মন্ত্ৰ শক্তি প্ৰয়োগ কৰিছা নে নাই?"

এই প্ৰশ্ন শুনি বিজয় সিংহই থতমত খালে। তেওঁ কলে, "ক্ষমা কৰিবা ৰবি । অকল ইয়াৰ তাতেই নহয়, ত্ৰিনেত্ৰৰ ওপৰতো মন্ত্ৰ প্ৰয়োগ কৰি মই অনায়াসে জয় লাভ কৰিছো।"

তাৰমানে ইয়াৰ অৰ্থ হ'ল তুমি স্বাৰ্থপৰ হৈ এই কুকৰ্ম কৰিছা । আমাৰ গুৰুদেৱ সিদ্ধেন্দ্ৰৰ উপদেশৰ কথা পাহৰি গ'লা ।" ৰবি বৰ্মাই অতি খঙেৰে কথাখিনি কলে ।

"বন্ধু, স্বাৰ্থ কি, কেনেকুৱা পৰিস্থিতিত মন্ত্ৰশক্তি প্ৰয়োগ কৰিব লাগে, এই কথা লৈ আমাৰ দুয়োৰে মাজত মতভেদ থকা যেন লাগে । প্ৰথমতে আমি গাঁৱত গৈ উপস্থিত হওঁ । তাৰ পাছত আমি আমাৰ সৰুকালৰ গুৰু বিশ্বনাথ শাস্ত্ৰীৰ ওচৰলৈ গৈ এই বিষয়ত তেখেতৰ মতামত সুধিম । মোৰ মতে এইটোৱে ঠিক হব ।" বিজয় সিংহই কলে ।

ৰবি বৰ্মা মনে মনে থাকিল । পিছদিনা ৰাতিপুৱা দুয়ো বন্ধু গৈ বিশ্বনাথ শাস্ত্ৰীৰ আশ্ৰমত উপস্থিত হ'ল । আশ্ৰমখন গাঁৱৰ ওচৰেৰে প্ৰবাহিত হোৱা নদীটোৰ পাৰতে অৱস্থিত । সেই সময়ত শাস্ত্ৰীয়ে এডাল গছৰ তলত বহি তালপাতৰ পুথি পঢ়ি আছিল ।

ৰবি বৰ্মা আৰু বিজয় সিংহই গৈ গুৰুক প্ৰণাম জনালে । গুৰুৱে দুয়োকে আশীৰ্বাদ দি কলে, "তোমালোক দুয়োৰে পিতাৰাৰ পৰা জানিব পাৰিছো দুয়ো বিদ্যাশিক্ষা সমাপ্ত কৰি ঘৰলৈ উলতি আহিছা । গুৰু সিদ্ধেন্দ্ৰৰ খবৰ ভাল নে ?"

দুয়ো বন্ধুয়ে গুৰু সিদ্ধেন্দ্ৰৰ কুশল বাতৰি জনালে আৰু লগতে গুৰুৱে দিয়া উপদেশৰ কথাও সবিশেষ বৰ্ণনা কৰি কলে ।

তেতিয়া বিশ্বনাথ শাস্ত্ৰীয়ে কলে, "সিদ্ধেন্দ্ৰৰ হিতোপদেশ তোমালোক দুয়োৰে জীৱনৰ বাবে চিৰস্মৰণীয় ।"

ৰবি বৰ্মাই তৎক্ষণাত কলে, "গুৰুদেৱ, দুখৰ কথা এইটোৱে যে গুৰুকুল এৰি অহাৰ পিছতে বিজয় সিংহই গুৰুৰ উপদেশৰ কথা পাহৰি গ'ল । স্বাৰ্থৰ বশ হৈ তেওঁ নিজ ধৰ্মৰ কথা পাহৰি পেলালে ।"

এই কথা শুনি বিশ্বনাথ শাস্ত্ৰীয়ে বিজয় সিংহৰ ফালে আচৰিত হৈ চালে ।

তেতিয়া বিজয় সিংহই কলে, "ৰবি,



কোৱাচোন ইয়াত স্বাৰ্থ ক'ত দেখিলা ?"

শাস্ত্ৰীয়ে মূৰটো লৰোৱাৰ লগে লগে ৰবি বৰ্মাই আৰম্ভ কৰিলে, "স্বাৰ্থৰ দ্বাৰা প্ৰেৰিত হৈ মল্লযোদ্ধা ত্ৰিনেত্ৰ আৰু ডকাইতৰ ওপৰত বিজয় সিংহই মন্ত্ৰশক্তি প্ৰয়োগ কৰিছে । এয়া তেওঁৰ স্বাৰ্থ আৰু অধৰ্ম নহয়নে ? এয়া গুৰুৰ উপদেশৰ অবমাননা নহয় নে ?"

শাস্ত্ৰীয়ে কোনো চিন্তা ভাবনা নকৰাকৈ তৎক্ষণাত কলে, "ৰবি, মোৰ মতে বিজয়ে ইয়াত কোনো স্বাৰ্থৰ কাম বা বেয়া কাম কৰা যেন লগা নাই । ভালদৰে ভাবি চালে তুমিও আচল সত্যটো জানিব পাৰিবা ।"

কাহিনী শেষ হোৱাৰ পিছত বেতালে ৰজাক কলে, "ৰাজন, বিজয় সিংহই নিসন্দেহে গুৰুৰ উপদেশৰ কথা পাহৰি গৈছে। ধনৰ লালসাত পৰি তেওঁ ত্ৰিনেত্ৰ আৰু ডকাইতৰ ওচৰত মন্ত্ৰশক্তি প্ৰয়োগ কৰিছে । মোৰ দৃষ্টিত এয়া সঁচাকৈয়ে অধৰ্মৰ কাম । কিন্তু বিশ্বনাথ শাস্ত্ৰীয়ে এইবুলি কৈছে

যে বিজয় সিংহই কোনো স্বাৰ্থপৰ তথা অধৰ্ম কাম কৰা নাই। এয়া ঠিকনে? মোৰ এই কথাৰ উত্তৰ জানিও যদি তুমি মনে মনে থাকা তেনে-হলে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব।"

তেতিয়া ৰজা বিক্ৰমে কলে, "বিশ্বনাথ শাস্ত্ৰীয়ে ইয়াকে কৈছে যে বিজয় সিংহৰ ব্যৱহাৰত স্বাৰ্থ অথবা অধৰ্ম কোনোটোৱে নাই। তেওঁৰ ব্যৱহাৰ উচিত যেনেই লাগিছে। স্বাৰ্থৰো এটা সীমা আছে। মল্লযোদ্ধা ত্ৰিনেত্ৰৰ নিজৰ বাহুবলক লৈ গৰ্ব আছিল । তেওঁক মন্ত্ৰ শক্তিৰে পৰাজিত কৰাতো স্বাৰ্থ বুলি কব নোৱাৰি । যদি এই প্ৰতিযোগিতাতো তেওঁ জয় লাভ কৰিলেঁহেতেন তেনেহলে তেওঁ ভাবি ললেহেতেন মোৰ সমকক্ষ বীৰ কোনো নাই । তেতিয়া তেওঁৰ অহংকাৰ আৰু বাঢ়ি গ'লহেতেন আৰু যিকোনো প্ৰকাৰৰ অন্যায় অত্যাচাৰ কৰিবলৈ সাহস কৰিলেহেতেন । বিজয় সিংহই তেওঁক পৰাজিত কৰি মানুহক এই বিপদৰ পৰা ৰক্ষা কৰিছে । ইয়াৰ কাৰণে যদি বিজয়ে মন্ত্ৰ শক্তি প্ৰয়োগ কৰিছে তাত তেওঁৰ ভুল ক'ত ? এতিয়া আহো ডকাইতৰ কথালৈ । এই ডকাইতবোৰে যিকোনো প্ৰকাৰৰ বেয়া কাম কৰিবলৈ ইতস্ততঃ নকৰে। হিংসাই তেওঁলোকৰ একমাত্ৰ কাম। ধনখিনি দিয়াৰ পিছতো যে তেওঁলোকক এৰি দিলে হয় এই কথাও কব নোৱাৰি । নিজৰ লগতে বন্ধুৰো জীৱনৰ আশংকা কৰি মন্ত্ৰ শক্তি প্ৰয়োগ কৰিছে । নিজৰ প্ৰাণ ৰক্ষাৰ কাৰণে শত্ৰুক নাশ কৰাতো স্বাৰ্থ বুলি কব নোৱাৰি । এতিয়া আহো ধৰ্মৰ কথালৈ । সকলো যুগতে, সকলো অৱস্থাতে কোনো অপৰিৱৰ্তনীয় ধৰ্ম নাথাকে । যুগে যুগে সামাজিক পৰিস্থিতি অনুসাৰে ধৰ্মৰ পৰিবৰ্তন হয় । ৰবিবৰ্মাই যেতিয়া বিজয় সিংহৰ ওপৰত অভিযোগ আনিছে যে তেওঁ গুৰুৰ উপদেশ পাহৰি গৈছে তেতিয়া বিজয়ে মনে মনে থাকি ৰবিক গুৰুৰ ওচৰলৈ লৈ গ'ল । কাৰণ তেওঁ জানিছিল যে তেওঁৰ বন্ধুৱে তেওঁৰ কথা বিশ্বাস নকৰিব আৰু সদায় তেওঁক স্বাৰ্থপৰ আৰু অধৰ্মী বুলিয়ে ভাবি থাকিব । সেয়েহে ইয়াৰ বিচাৰৰ কাৰণে তেওঁক বিশ্বনাথ শাস্ত্ৰীৰ ওচৰলৈ লৈ আহিল । বিজয়ে কি কাম কৰিছে সেইটো ৰবি বৰ্মাৰ দ্বাৰাই কোৱাইছে । এয়া তেওঁৰ ধৰ্মবুদ্ধিৰে পৰিচয় ।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ হ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল ।

পৱনকুমাৰৰ ৰচনাৰ আধাৰত



ভাৰতৰ পৌৰাণিক উপাখ্যান -৬

অন্ধ তপস্বী

সেইয়া আছিল বৰ্ষাকাল । বুদ্ধদেৱে এশাৰী পৰ্বতৰ পাদদেশত কুঞ্জবনৰ মাজত শিৱিৰ পাতি আছিল । তাত বহুতো গুহা আছিল । সেই গুহাবোৰত তেওঁৰ শিষ্যসকলে বাস কৰিছিল । মাজে সময়ে ওচৰৰ বা দূৰৰ পৰা বিদ্যান পণ্ডিতসকল বুদ্ধক দেখা কৰিবলৈ আহিছিল আৰু তেওঁৰ সৈতে দৰ্শন আৰু ধৰ্ম সম্পৰ্কে আলোচনা কৰিছিল ।

ৰাতিপুৱা এজাক বৰষুণৰ পাছত পৃথিৱীত সূৰ্য্যৰ পোহৰ পৰিছিল । বুদ্ধই গুহাৰ পৰা ওলাই আহি কুঞ্জবনৰ মাজত এনেয়ে ঘূৰিফুৰিছিল । এনেতে কিছুমান দৰ্শনাৰ্থীয়ে আহি তেওঁক নমস্কাৰ জনাইছিল । বুদ্ধইও তেওঁলোকক প্ৰতিনমস্কাৰ জনোৱাৰ পিছত দৰ্শনাৰ্থীসকলৰে এজনে কৈছিল, "হে মহাত্মা, আপুনিতো কেতিয়াও হিংসাক প্ৰশ্ৰয় নিদিয়ে, নহয় জানো ?"

"হয়," বুদ্ধই উত্তৰ দিছিল ।

"কিন্তু আমি অতি দুঃখেৰে কব লগা হৈছে যে, অলপ আগতে আপোনাৰ এজন শিষ্যই বহুতো পৰুৱা মাৰি আহিছে ।" দৰ্শনাৰ্থীজনে কৈছিল । "এতিয়া সেই শিষ্যজনে আপোনাৰ ওচৰত এনে শান্তভাৱে বহি আছে যেন একো হোৱাই নাই ।" এইবুলি কৈ তেওঁ শিলৰ ওপৰত বহি থকা শিষ্য এজনৰ ফালে আঙুলিয়াই দেখুৱাইছিল ।

বুদ্ধই বুঢ়া মানুহজনৰ ফালে চাইছিল । তাৰ পাছত তেওঁ নিশ্চিত হৈ কৈছিল, "তেওঁতো কোনো পৰুৱা বধ কৰা নাই ।"

"কিন্তু মহাশয়, অকল ময়ে নহয়, মোৰ লগৰীয়া কেইজনেও দেখিছে তেওঁ পৰুৱা মৰাতো ! তেওঁ খোজকাঢ়ি গৈ থাকোতে ভৰিৰে গচকি বহুতো পৰুৱা মাৰিছে ।" মানুহজনে প্ৰমাণ সহ বিশ্বাসেৰে কৈছিল ।



"পৰুৱাবোৰ মৰিছে হয়, কিন্তু তেওঁ সিহঁতক বধ কৰা নাই ।" বুদ্ধই কৈছিল ।

"ঠিক আছে, আমি সত্য কথাটো কৈ ভুলহে কৰিলো ।" মানুহজনে কৈছিল ।

"বন্ধুসকল, তোমালোকে এইফালে চোৱা । তোমালোকে যিজন মানুহৰ কথা কৈছা তেওঁ অতি দয়ালু লোক । তেওঁৰ মনত তিলমানো হিংসা নাই । তেওঁ হয়তো পৰুৱাবোৰৰ মৃত্যুৰ কাৰণ হব পাৰে, কিন্তু তেওঁ সিহঁতক বধ কৰা নাই । তেওঁ এজন অন্ধ । খোজকাঢ়ি যাওঁতে তেওঁ পৰুৱা দেখা নাপায় । বন্ধুসকল, এয়া কাৰ্য্যটো নহয়, কাৰ্য্যৰ আঁৰৰ যি উদ্দেশ্য সিয়েইহে ঠিক কৰিব, কাৰ্য্যটো নিন্দনীয় হয় নে নহয় ।" বুদ্ধই বুজাই কৈছিল ।

দৰ্শনাৰ্থী কেইজনে এতিয়াহে কথাটো বুজিব পাৰিলে । "কিন্তু তেওঁৰ দৰে এজন দয়ালু লোক অন্ধ হোৱাতো এক দুঃখজনক কথা ।" এজনে হুমুনিয়াহ কাঢ়ি কৈছিল ।

"তেওঁ পূৰ্বজন্মৰ কৰ্ম ফলৰ কাৰণেহে অন্ধ হব লগা হৈছে । কিন্তু তেওঁৰ দুখভোগ অতীত হৈ গৈছে ।যদিও তেওঁ দেখা নাপায়, তথাপি বৰ্ত্তমানে তেওঁপৰম সুখত আছে । তেওঁৰ অন্তৰ্দৃষ্টি মুকলি হৈছে । সেই কাৰণে আমি তেওঁক চক্ষুপাল বুলি মাতো, অৰ্থাৎ যিয়ে অন্তৰ্দৃষ্টিৰ দ্বাৰা পৰিচালিত হয় ।

"হে মহাত্মা, তেওঁনো পূৰ্বজন্মত এনে কি দোষ কৰিছিল যাৰ কাৰণে তেওঁ দৃষ্টিশক্তি হেৰুৱাব লগা হয় ?" দৰ্শনাৰ্থীকেইজনে অতি উৎসুক হৈ সুধিছিল । তাৰ উত্তৰত বুদ্ধই কৈছিল:

চক্ষুপাল, পূৰ্বজন্মত এজন খুব ভাল চিকিৎসক আছিল । এদিনাখন এজনী মহিলাই ৰাস্তা ৰে গৈ থাকোতে বাৰে বাৰে উজুটি খাইছিল। তাকে দেখি চিকিৎসকজনে সুধিছিল, "তোমাৰ কি অসুবিধা হৈছে ?" তেতিয়া মহিলাজনীয়ে কৈছিল," মোৰ এবাৰ ডাঙৰ জ্বৰ হওতে মোৰ দৃষ্টিশক্তি হেৰাই যায়। মই বিভিন্ন মানুহৰ ঘৰত কাম কৰি কোনো মতে জীৱিকা প্ৰবৰ্তাইছিলো, কিন্তু মই এতিয়া কাম কৰিব নোৱাৰো । গতিকে মোৰ অৱস্থাৰ কথা বুজিবই পাৰিছে । যদি মই মন্দিৰলৈ যোৱা বাটটো বিচাৰি নাপাওঁ, য'ত মই গৈ ভিক্ষা কৰো, তেনেহলে মই অনাহাৰে থাকিব লাগিব ।"

তেতিয়া চিকিৎসকজনে তিৰোতাগৰা-কীক মন্দিৰৰ বাটটো দেখুৱাই দি কৈছিল, "মই ভাবো, মই তোমাৰ বেমাৰ ভাল কৰিব পাৰিম ।"

"আপুনি পাৰিবনে বাৰু ? তেতিয়াহলে মই আপোনাৰ ঘৰত গোটেই জীৱন কাম কৰি থাকিম ।" তিৰোতাজনীয়ে আনন্দিত হৈ কৈছিল ।

"তুমি প্ৰতিজ্ঞা কৰি কব পাৰিবানে ?"

"মই প্ৰতিজ্ঞা কৰি কলো ।" তিৰোতাজনীয়ে কৈছিল ।

চিকিৎসকজনৰ এজনী কাম কৰা তিৰোতাৰ অতি আৱশ্যক আছিল । চিকিৎসকজনে ভালদৰে চিকিৎসা কৰাত তিৰোতাজনীয়ে দৃষ্টিশক্তি ঘূৰাই পাইছিল ।

দৃষ্টিশক্তি হেৰুৱাৰ আগতে তিৰোতাজনীয়ে এঘৰ ধনী মানুহৰ ঘৰত কাম কৰিছিল। এতিয়া তাই দৃষ্টিশক্তি ঘূৰাই পাই চিকিৎসকজনৰ ঘৰত কাম কৰাৰ পৰিবৰ্তে সেই ধনী মানুহজনৰ ঘৰত কাম কৰিব বিচাৰিছিল । চিকিৎসক জনক তাই ফাকি দিব বিচাৰিছিল । "মহাশয়, আপোনাৰ ঔষধে কোনো কাম কৰা নাই । মই দেখা নাপাওঁ ।" তিৰোতাজনীয়ে কৈছিল ।

চিকিৎসকজনে খুব ভালদৰে লক্ষ্য কৰি বুজিব পাৰিছিল তাই ফাকি দিছে । তেওঁৰ খুব খং উঠিছিল । "মোৰ ঔষধে কাম দিয়া নাই, এয়া খুব লাজৰ কথা । আকৌ এবাৰ প্ৰয়োগ কৰি চোৱাচোন কাম দিয়ে নে নিদিয়ে।" এইবুলি কৈ তেওঁ তাইক অন্য এটা মলম দিছিল । এই মলম ব্যৱহাৰ কৰিলে আৰু ভালদৰে দেখিবলৈ পাব বুলি ভাবি তাই ইয়াক প্ৰয়োগ কৰিছিল । কিন্তু হায়, তাই আকৌ দৃষ্টিশক্তি হেৰুৱাইছিল ।

"মই একো দেখা নাই, মই একো দেখা নাই" বুলি তাই চিঞৰি উঠিছিল ।

"আঃ বেচেৰি, তুমিতো দৃষ্টিশক্তি আগতে হেৰুৱাইছা, নহয় নে ?" মই মাথোঁ ভাল কৰিবলৈ চেষ্টা কৰিছিলো, কিন্তু নোৱাৰিলো । কথা সিমানেই । এইবুলি কৈ তেওঁ তাৰপৰা গুচি গৈছিল ।

বুদ্ধৰ কাহিনী কোৱা শেষ হোৱাত দৰ্শনাৰ্থী কেইজনে সুধিছিল, তিৰোতাজনীয়ে প্ৰতাৰণা কৰা কাৰণেহে চিকিৎসকজনে তাইক আকৌ অন্ধ কৰি দিছিল । ইয়াৰ বাবে তেওঁ শাস্তি ভোগ কৰিব লগা হ'ল কিয় ?"

"বন্ধুসকল, তিৰোতাজনীৰ কামটো আছিল এক মুৰ্খামী । কিন্তু চিকিৎসকজনে প্ৰতিশোধ পৰায়ণ হৈ কামটো কৰিছিল । সেইটো আছিল তেওঁৰ প্ৰথম পাপ । দ্বিতীয়তে তেওঁ চিকিৎসকৰ নিয়ম উলঙ্ঘা কৰিছিল । ৰোগ নিৰাময় কৰাহে চিকিৎসকৰ ধৰ্ম,ৰোগ জাপি দিয়াতো নহয় ।"বুদ্ধাই বুজাই কৈছিল।

"এতিয়াহে আমি বুজি পাইছো । ধন্যবাদ মহাশয়," এইবুলি কৈ দৰ্শনাৰ্থীকেইজন যাবলৈ আগবাঢ়িল ।



চোৰ নকৰা স্বত্বেও চোৰ

চমন আৰু চপল দুয়ো প্ৰতিবেশী আছিল। চমন দুখীয়া আছিল যদিও যিখিনি পাৰে আনক সহায় কৰিব বিচাৰিছিল। আনহাতে চপল ধনী আছিল কিন্তু তেওঁ আনে তেওঁত-কৈ সুখেৰে থকাতো বিচৰা নাছিল।

এদিনাখন চপলৰ ঘৰৰ সম্মুখত এটা কুকুৰে অবিৰাম ভুকিব ধৰিলে। চপলে খঙতে কুকুৰটোলৈ শিল দলিয়ালে। কুকুৰটোৱে সেইখিনিৰ পৰা দৌৰি গৈ চমনৰ ঘৰৰ সম্মুখত ভুকিব ধৰিলে। চমনে ভাবিলে কুকুৰটোৰ নিশ্চয় ভোক লাগিছে, সেয়েহে সি ইমান ভুকিছে। তেওঁ কলপাত এখনত কিছু খোৱাবস্তু লৈ তাৰ সন্মুখত ৰাখিলে। কুকুৰটোৱে আটাইখিনি খালে আৰু কৃতজ্ঞতাপূৰ্ণ ভাৱেৰে নেজডাল লৰালে। তাৰ পাছত কুকুৰটোয়ে দৌৰ মাৰি চমনৰ ঘৰৰ পিছফালে গ'ল আৰু নখেৰে মাটি খান্দিবলৈ ধৰিলে।

চমনৰ বুঢ়ীমাকে কুকুৰটোৱে মাটি খান্দি থকা দেখি চমনক তালৈ মাতিনি কলে, "বোধহয়, কাল ভৈৰৱ তোমাৰ প্ৰতি প্ৰসন্ন হৈছে। মাটিখিনি আৰু বেছিকৈ খান্দা আৰু তাত কি আছে চোৱা।"

এইকথা শুনি চমনৰ ঘৈনীয়েকে কোৰখন আনিলে। চমনে সেই ঠাইখিনি খান্দিব ধৰিলে। বহুত দকৈ খন্দাৰ পিছত এটা সোণৰ মুদ্ৰাৰে ভৰ্ত্তি কাঠৰ বাকচ পালে। আৰু এখিলা কাগজ পালে। কাগজখিলাত চমনৰ ককাদেউতাকে পাছৰ বংশধৰসকলৰ সুখ সন্তোষৰ বাবে সোণৰ মুদ্ৰাবোৰ ৰখা বুলি লিখা আছিল।

ইয়াৰ পাছত চমনৰ জীৱনৰ আকাশ পাতাল পৰিবৰ্তন আহিল । তেওঁ মাটি কিনিলে আৰু সৰু ব্যৱসায় আৰম্ভ কৰিলে। আৰামত দিন অতিবাহিত কৰিলে যদিও আগৰ ভাল স্বভাৱৰ পৰিবৰ্তন নহলে ।

চমনৰ এই পৰিবৰ্তন চপলে সহ্য কৰিব নোৱাৰিলে । চমনৰ এই পৰিবৰ্তনৰ তেওঁ অনুসন্ধান কৰিব ধৰিলে ।

তেওঁ ইয়াৰ কাৰণ জানিব পাৰিলে । তৎক্ষণাত তেওঁ গাওঁবুঢ়াৰ ওচৰলৈ গৈ কলে, "মহোদয়, মাটিৰ তলত যি পোৱা যায় সেই বস্তু ৰজাৰ হয় । চমনে তেওঁৰ ঘৰৰ পিছফালে বহুত সোণাৰ মুদ্ৰা পাইছে আৰু সেইবোৰ নিজৰ বুলি ভোগ কৰিছে ।"

গাওঁবুঢ়াইও এই কথাৰ অনুসন্ধান কৰিলে । তেওঁ সমস্ত ঘটনা জনাৰ পাছত চপলক মাতি কলে যে সেই মুদ্ৰা চমনৰ ককাদেউতাকে তেওঁৰ পিছৰ বংশ পৰিয়ালৰ বাবে ৰাখিছে বুলি লিখি থৈছে । সেয়েহে সেইবোৰ চমনৰ । তুমি তেওঁৰ প্ৰতি ভুল ধাৰণা কৰিছা ।

গাওঁবুঢ়াৰ কথা শুনাৰ পাছত চপল আৰু বেছি ঈৰ্ষাপৰায়ণ হ'ল । তেওঁৰ কুকুৰটোৰ কথা মনত পৰিল । যিদিনা কুকুৰটোৱে প্ৰথমতে তেওঁৰ ঘৰৰ সন্মুখত ভুকিছিল সেইদিনা তেওঁ শিল মাৰি তাক খেদি দিছিল। তেওঁ ভাবিলে নিশ্চয় মোৰ ঘৰৰ পিছ ফালেও ধন, সম্পত্তি বা কোনো ৰত্ন আছে। কিন্তু সেই কুকুৰটো এতিয়া ক'তনো আছে।

চপলে সেই কুকুৰটো বিচৰাত লাগিল । কলপাতত খোৱা বস্তু লৈ তেওঁ কুকুৰটোলৈ অপেক্ষা কৰিলে । কিন্তু এটা কুকুৰো তেওঁৰ ফালে নাহিল । তথাপিও চপল কুকুৰৰ অপেক্ষাত ৰৈ থাকিল ।

এসপ্তাহমান পাছত এটা কুকুৰ চপলৰ ঘৰৰ সন্মুখত ৰৈ একেৰাহে ভুকিব ধৰিলে। তেওঁ কুকুৰটোক দেখি চিনি পালে যে আগৰ কুকুৰটোৱে সেইটো । তেওঁ কুকুৰটোক খাবলৈ দিলে । খোৱা হোৱাৰ পাছত কুকুৰটো ঘৰৰ পিছফালে গৈ মাতি খান্দিবলৈ ধৰিলে । তাত চপলে এটা কাঠৰ বাকচ পালে। তাত ৰত্ন আৰু মণি-মুকুতা আছিল। কিন্তু কোনো লিখিত নথি পত্ৰ নাছিল । সেয়েহে তেওঁ ককাদেউতাকে লিখি ৰখা বুলি

এখন দলিল লিখি ৰাখিলে যাতে ভবিষ্যতে কোনো সমস্যাৰ সৃষ্টি নহয়।

ভাল মানুহে সদায় যি থাকে তাৰ সদব্যৱহাৰ কৰে আৰু সুখত থাকে। কিন্তু বেয়া মানুহে নিজৰ ঐশ্বৰ্য্য আনক দেখুৱাই আনন্দ পায়। চপলৰ পৰিয়ালৰ আটায়ে সেই মণিমুকুতা বোৰ পিন্ধি আনন্দত আত্মহাৰা হৈ উঠিল।

সেই সময়ত সেই দেশৰ ৰজাই ছদ্মবেশত দেশৰ ভিতৰত ঘূৰি ফুৰিছিল। এদিনাখন তেওঁ চপলহঁতৰ গাওঁলৈ আহিলে। তেওঁ মন্দিৰত চপলৰ ঘৈনীয়েকৰ গলত এডাল হাৰ দেখি আচৰিত হ'ল। সেই হাৰডাল ৰজাৰ পূৰ্বপুৰুষৰ আছিল। সূৰ্য্যাস্তৰ সময়ত এদিন ৰজাৰ বুঢ়ী আইতাকে অকলে ফুৰি থাকোতে চোৰে তেওঁক মাৰি সেই হাৰ ডাল লৈ গৈছিল। ককাদেউতাকে সেই হাৰডালৰ এডাল-নমুনা বনাই গোটেই দেশত প্ৰদৰ্শন কৰিছিল যাতে চোৰ ধৰাত পৰে। ৰজাৰ হাতত এতিয়াও সেই নমুনা আছে।

ৰজাই গাওঁবুঢ়াক লগ ধৰিলে। নিজৰ আচল ৰূপ ধাৰণ কৰি গোটেই ঘটনা বিবৰি কলে। বহুতো অনুসন্ধান কৰাৰ পাছত ৰজাই জানিব পাৰিলে যে চপলৰ ককাদেউতাকে। লিখি ৰখাৰ পৰা জানিব পাৰি। ৰজাই চপলক মাতি কলে, চোৱা তুমি তোমাৰ ককাৰ বংশধৰ। তেওঁ যি কাম কৰিছে তাৰ শাস্তি তুমি ভুগিব লাগিব। তেতিয়াহে মোৰ পূৰ্ব পুৰুষৰ আত্মাই শান্তি পাব। তুমি এবছৰ কাৰাগাৰত থাকিব লাগিব।

এতিয়াহে চপলে গম পালে যে তেওঁ কিমান ডাঙৰ ভুল কৰিলে। তেওঁ গোটেই ধন-ৰত্নৰ লগতে মুল্যবান হাৰডালো ৰজাক ওভোটাই দিলে। চোৰ নোহোৱা স্বত্বেও তেওঁ চোৰ হৈ গ'ল। তেওঁ নিজকে নিজে কবলৈ ধৰিলে যে মোৰ দৰে আক্ৰোহীআৰু লোভী মানুহে উচিত শাস্তিয়ে পালো।

এন্দুৰৰ কথা

তুমি যদি ৰাজস্থানৰ কৰ্ণিদেৱীৰ মন্দিৰ দৰ্শন কৰিবলৈ যোৱা এন্দুৰ ধৰা ফান্দ লগত নিনিবা। দেশনক গাঁৱৰ এই মন্দিৰটোত এন্দুৰক ভক্তি কৰা হয়, খুউৱা হয় আৰু সুৰক্ষা দি ৰখা হয়। ইয়াত এন্দুৰবোৰে জাক পাতি ঘূৰি ফুৰে কিন্তু স্থানীয় মানুহবোৰে সিহঁতক একো নকৰে। ইয়াৰ মানুহবোৰে বিশ্বাস কৰে যে মানুহৰ আত্মাবোৰে ভাল দেহ খুজি নোপোৱালৈকে এন্দুৰৰ দেহতে বিচৰণ কৰি থাকে।

স্থানীয় উপাখ্যান মতে, বহু শ বছৰ আগতে দেশনক গাঁৱত কৰ্ণিদেৱী তপস্বীনী হৈ আছিল। তেওঁ যাদুবিদ্যাত পাৰ্গত আছিল। এদিনাখন এজন ডেকা ল'ৰাৰ মৃত্যু হোৱাত ল'ৰাটোৰ জীৱন দান দিয়াৰ কাৰণে তেওঁ ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছিল। ভগবানে তেওঁৰ প্ৰাৰ্থনা শুনিছিল যদিও ল'ৰাজনক তৎক্ষণাত জীয়াই দিব পৰা নাছিল, কাৰণ তাৰ কাৰণে এটা উপযুক্ত দেহ বিচাৰি পোৱা নাছিল। গতিকে এটা মানুহৰ দেহ খুজি নোপোৱালৈকে সি এন্দুৰ হিচাবে জন্ম লৈছিল! তেতিয়াৰ পৰা দেশনকৰ মানুহৰ কাৰণে এন্দুৰ অতি মৰমৰ। আজিও কৰ্ণিদেৱীৰ মন্দিৰ এন্দুৰৰ কাৰণে অতি সুখৰ ঠাই।

কোমল স্বৰযুক্ত

এই কথা শুনি তেলেগু ভাষীসকল ৰোমাঞ্চিত হব। পৃথিৱীৰ দুটা ভাষাৰ ভিতৰত তেওঁলোকৰ ভাষাটোও এটা, যাৰ এক অতুলনীয় বৈশিষ্ট্য আছে। সেয়া হ'ল ইয়াৰ প্ৰতিটো শব্দই স্বৰবৰ্ণৰে শেষ হয়। এই একে বৈশিষ্ট্য থকা আনটো ভাষা কি বাৰু? ইটালিয়ান!



ভূতৰ ভোজ

গংগা এজনী কাজিয়া কৰি ফুৰা আৰু কৰ্কশ তিৰোতা বুলি গাঁৱৰ সকলোৰে মাজত পৰিচিত আছিল। গিৰীয়েকৰ মৃত্যুৰ পাছত তাই ৰন্ধন কাৰ্য্যক জীৱিকাৰ পথ কৰি লৈছিল। সকলোৰে কৈছিল তাই ৰন্ধা বস্তু হেনো খুব সোৱাদযুক্ত হৈছিল। সেয়েহে মানুহে তাইৰ স্বভাৱৰ পিনে নাচাই সকলো শুভকাৰ্য্যতে তাইক ৰান্ধনি হিচাপে মাতিছিল।

এদিনাখন ৰাতি গংগা শুই থাকোতে হঠাতে তাইক পিঠিত কোনোৱাই থপৰিয়াই দিয়া যেন পাই উঠি বহিল। তাই তিনিটা ভূত দেখিলে আৰু চিঞৰিব ধৰিলে।

ভূতকেইটাই গংগাক কলে, "চোৰা গংগা, আমি তোমাৰ অহিত কৰিবলৈ অহা নাই। ভয় নকৰিবা। আজি ৰবিবাৰ। অমাৱস্যাৰ দিন। শ্মশানত ভোজ ৰান্ধিবলৈ আমি সকলোবোৰ তৈয়াৰ কৰিছো। তুমি মাত্ৰ বাচনবোৰ লৈ ওলোৱা।

তেতিয়া গংগাই কলে, "মোৰ আজি গাটো ভাল লগা নাই। অন্য কাৰোবাক লৈ যোৱা।" তাইৰ কথা শুনি ভূতকেইটাৰ চকু ৰঙা হৈ পৰিল। সিহঁতে এইবাৰ কঠোৰ ভাৱে কলে, "তুমি ভাওঁ জুৰিলে আমি তোমাক জুইত পেলাই দিম আৰু চোবাই চোবাই খাম। মনে মনে আমাৰ লগত ব'লা।" এইবুলি ভূততিনিটা বাদুলি হৈ অন্ধকাৰলৈ উৰা মাৰিলে।

একো উপায় নাপায় বাচনবোৰ বস্তা এটাত ভৰাই গংগা যাবলৈ ওলাল। গাঁৱৰ বাহিৰ ওলাই তাই এটা পুৰণি ঘৰৰ পিৰালিত বহি চিন্তা কৰিব ধৰিলে। তাই ভাবিলে

অনিল গৰ্গ

এইবাৰ মোৰ মৃত্যু নিশ্চিত । তাই জোৰেৰে কান্দিব ধৰিলে ।

সেই সময়তে বাটেৰে এজন পথিক গৈ আছিল । তেওঁ গংগাৰ ওচৰলৈ আহি সুধিলে, "তুমি কোন ? এই সময়ত পিৰালিত বহি তুমি কিয় কান্দি আছা ?"

গংগাই সম্পূৰ্ণ ঘটনা মানুহজনক জনালে আৰু কলে, "মই ভাবিছো এইবাৰ ভূতৰ নিমন্ত্ৰণেই মোৰ মৃত্যুৰ কাৰণ হব । এই বিপদৰ পৰা মই ৰক্ষা নাপাওঁ ।"

বাটৰুৱাজনে গংগাক সান্ত্বনা দি কলে, "মা, মোৰ নাম শিৱ । ওচৰৰে জমিদাৰৰ জীয়েকৰ বিয়াৰ ভোজ ৰান্ধিবলৈ গৈছিলো। তোমাৰ সলনি মই গৈ ভূতৰ ভোজনৰ ব্যৱস্থা কৰি দিম । তুমি ৰাজীতো ?"

"ইয়াতকৈ বেছি আৰু মোকনো কি লাগে বাচা," এইবুলি কৈ বাচনৰ টোপোলাটো তেওঁৰ মূৰত উঠাই দি কলে, "গাঁৱৰ মাজত থকা বটগছ ডালৰ কাষতে মোৰ ঘৰ । বাচনবোৰ কালি ৰাতিপুৱা দি আহিবা । এইবাৰ গংগাই পাছলৈ নাচাই বেগেৰে খোজ দিলে ।

শিৱ যেতিয়া শ্মশান গৈ পালে তেতিয়া তিনিওটা ভূতে নিজৰ ভিতৰতে কথা পাতি আছিল । শিৱক দেখি সিহঁতে চিঞৰিব ধৰিলে। "হেৰা, তুমি কোন ? গংগা ক'ত গ'ল?"

শিৱই নিৰ্ভীকভাৱে উত্তৰ দিলে, "গংগাৰ ওপৰত হঠাতে ভূতে লম্ভিলে । এই টোপোলাটো মোৰ মূৰৰ ওপৰত দি এই বুলি কৈ কৈ গাঁৱৰ সিমূৰে গুচি গ'ল-মই আহি আছো প্ৰভু জঁটাধাৰী, মই আহি আছো ।"

ইয়াৰ পাছত শিৱই ৰন্ধনকাৰ্য্য আৰম্ভ কৰিলে।

এঘন্টাৰ ভিতৰতে শিৱই ৰন্ধা শেষ কৰিলে । তেওঁ ৰন্ধা মুৰ্গী,শিংৰা,ৰুটি খায় ভূতকেইটাই বৰ সোৱাদ পালে ।

খোৱা হোৱাৰ পাছত ভূতকেইটাই শিৱক প্ৰশংসা কৰি কলে, "আগতে কেতিয়াও আমি ইমান সোৱাদযুক্ত আহাৰ খোৱা নাছিলো । ভোজন সদায় এনেকুৱাই হব লাগে ।" ইয়াৰ পাছত ভূতকেইটাই গছত্ৰডালৰ খোৰোঙৰ পৰা টোপোলা এটা আনি শিৱক দিলে । লগে লগে ভূতকেইটা পাৰচৰাই হৈ উৰি গ'ল ।

সিহঁত যোৱাৰ পাছত শিৱই টোপোলাটো খুলি চালে.তাত এশটা সোণৰ মুদ্ৰা আছে।

বাচনৰ টোপোলাটো লৈ শিৱই যেতিয়া

গংগাৰ ঘৰলৈ আহিছিল তেতিয়া তাই চোতাল সাৰি আছিল ।

শিৱই তাত হোৱা সকলোবোৰ কথা গংগাক কলে আৰু মুদ্ৰাৰ আধা গংগাক দিব বুলি কৈ টোপোলাটো খুলিবলৈ ধৰিলে ।

গংগাই তৎক্ষণাত টোপোলাটো কাঢ়িনিলে আৰু কলে, "মোক মাত্ৰ আধাহে দিবা । ভাবাচোন এই সোণৰ মুদ্ৰা তুমি কেনেকৈ পালা ? মইহে তোমাক ভূতৰ ওচৰলৈ পঠাইছিলো । তুমি তাত যিহে আহাৰ বনাইছিলা," এইবুলি গংগাই তেওঁৰ হাতত মাত্ৰ এটা মুদ্ৰা দিলে আৰু কলে "সেইখিনিৰ বাবে এটাই যথেষ্ট ।"

শিৱই কলে "এইটো কিন্তু একদম অবিচাৰ। গংগাই চিঞৰি চিঞৰি শিৱক কথা শুনাবলৈ ধৰিলে । সিহঁতৰ হাহাকাৰত ওচৰৰে পৰমেশে ৰব নোৱাৰি আহি কলে, "তোমা লোক দুয়োৰে কাজিয়াৰ মীমাংসা গাওঁবুঢ়াই কৰিব পাৰিব । তোমালোক মোৰ লগত ব'লা।"

গাওঁবুঢ়াই গোটেই ঘটনাটো জনাৰ পিছত কলে, "হয়, এই মুদ্ৰা গংগাইহে পাব লাগে।" তেওঁ মুদ্ৰাৰ টোপোলাটো গংগাৰ হাতত দিলে।

শিৱই দুখমনেৰে গাওঁবুঢ়াক কলে, "গাংগাৰ কাজিয়া কৰা স্বভাৱৰ ভয়তে আপুনি মোৰ লগত অন্যায় কৰিলে । তাৰোপৰি মই যিহেতু আন এখন গাঁৱৰ ।"

এই কথাত গাওঁবুঢ়াই হাঁহিমাৰি কলে, "তুমি খৰখেদা নকৰিবাচোন ।" গাওঁবুঢ়াই এইবাৰ গংগাৰ ফালে চাই কলে, "গংগা, তুমি অন্য গাৱঁৰ শিৱক ভূতৰ ওচৰলৈ পঠাইছিলা । গতিকে এই মুদ্ৰাৰ টোপোলাটো তোমাৰ । সেইফালৰ পৰা চালে পৰমেশে তোমাক মোৰ ওচৰলৈ লৈ আহিছে । গতিকে এই টোপোলাটো পৰমেশৰ হব । মোৰ কথা বুজি পাইছানে নাই ?"

গংগাই একো উত্তৰ দিব নোৱাৰি আটাইৰে ওচৰত ক্ষমা খুজিলে । গাওঁবুঢ়াই মুদ্ৰাৰ টোপোলাটো শিৱক দি কলে, "তুমি পাব লগাখিনি ৰাখি বাকীখিনি গংগাক দিয়া।

শিৱই কলে, "ৰান্ধিবৰ কাৰণে বাচন দিয়া বাবে গংগাক মই আধা মুদ্ৰা দিম ।" শিৱই আধা মুদ্ৰা গংগাক দি দিলে ।

গংগাই লাজতে তৎক্ষণাত তাৰ পৰা গুচি আহিল ।



উত্তম কবি

বৰ্ধন কুন্তল দেশৰ ৰজা আছিল । তেওঁ কবি আৰু পণ্ডিতসকলক খুব আদৰ সন্মান কৰিছিল । তেওঁ নিজেই এজন কবি আছিল বাবেই আন কবিৰ কবিতাবোৰৰ দোষ, গুণ চালিজাৰি চাব পাৰিছিল ।

প্ৰতি বছৰে তেওঁ কবিসকলৰ সন্মানাৰ্থে কবিসন্মিলন পাতিছিল । ইয়াৰ বাহিৰেও, তেওঁৰ আৰু এটা চখ আছিল । নৱৰাত্ৰি উৎসৱৰ সময়ত প্ৰতি বছৰে তেওঁ খুব ধুমধামেৰে সৰস্বতী পূজা পালন কৰিছিল । সেই সময়ত যিসকল নতুন কবি তেওঁৰ ওচৰলৈ আহিছিল, তেওঁলোকৰ কাব্য তেওঁ পঢ়িছিল । যি কবিতা বা কাব্য তেওঁৰ ভাল লাগিছিল, বিজয়াদশমীৰ দিনাখন সেই কাব্যক পুৰস্কৃত কৰা হৈছিল । সেই কাব্যৰ ৰচয়িতা জনকো সেইদিনা পুৰস্কাৰ প্ৰদান কৰিছিল । কেতিয়াবা উত্তম কাব্যৰ ৰচয়িতাজনক ৰাজকবি হিচাপেও নিযুক্ত কৰিছিল ।

এবাৰ সৰস্বতী পূজাৰ দিনা দুজন কবিৰ কাব্য উত্তম কাব্য হিচাপে নিৰ্বাচিত হৈছিল। তেওঁলোক আছিল ৰামশৰ্মা আৰু কৃষ্ণশাস্ত্ৰী। ৰজাৰ লগে লগে আন পণ্ডিতসকলেও কাব্য দুখনৰ দোষ-গুণ বিচাৰ কৰি চালে । পণ্ডিতসকলে তেওঁলোকৰ সিদ্ধান্ত শুনাই কলে, "ৰামশৰ্মাৰ কাব্য কৃষ্ণশাস্ত্ৰীৰ কাব্যতকৈ অতি উত্তম । আমি জানো যে কৃষ্ণশাস্ত্ৰীৰ কাব্যৰ কোনো কোনো অংশত মধুৰতা, লালিত্য আছে কিন্তু তাত ব্যাকৰণৰ বহুত ভুল আৰু ছন্দবোৰো নিৰস । ৰামশৰ্মাৰ কাব্য কিন্তু অন্যধৰণৰ । আৰম্ভনিৰে পৰা শেষলৈকে তাত সমান ৰস আৰু মাধুৰ্য্য পোৱা

চন্দ্ৰকান্ত পাণ্ডে

যায় । অন্তত ৰামশৰ্মাক এই বছৰ উত্তম কবি হিচাপে নিৰ্বাচিত কৰিব লাগে । তেওঁৰ কাব্যক উত্তম কাব্য হিচাপে পুৰস্কৃত কৰিব লাগে ।"

পিছে ৰজা বৰ্ধনে তেওঁলোকৰ অভিপ্ৰায় অস্বীকাৰ কৰি হাঁহি হাঁহি কলে, "যেতিয়া আপোনালোকে কাব্য পঢ়ে তেতিয়া কবিৰ জীৱন পদ্ধতিৰ ওপৰতো আপোনালোকে দৃষ্টিপাত কৰিব লাগে । তেওঁৰ পুৰণি আৰু আধুনিক জীৱন সম্পৰ্কে জানিব লাগে । ৰাজকৰ্মচাৰীৰ পৰা মই এই দুজন কবিৰ বিষয়ে জানিব পাৰিছো । ৰামশৰ্মা অধিক শিক্ষিত আৰু খুব ধনী লোক । এতিয়াও তেওঁ এজন জমিদাৰৰ দৰে । তেওঁৰ গাওঁ শস্যৰে ভৰপূৰ । খেতি বাতিৰে গাওঁখন দেখিবলৈ অতি সুন্দৰ । সকলো প্ৰকাৰৰ সুবিধায়ে তেওঁ পায় । এইখিনিয়েই জানিব পাৰিছো, ইয়াৰ মানে কবিতা ৰচনাত তেওঁৰ পটুতা সীমিত। এতিয়া আহো কৃষ্ণশাস্ত্ৰীৰ কথালৈ । তেওঁ এজন অতি সাধাৰণ খেতিয়ক । তেওঁৰ শিক্ষাও তেনেই কম । তেওঁ নিজৰ পৰিয়ালৰ ভৰণ-পোষণৰ বাবে গোটেই দিনটো পৰিশ্ৰম কৰি কটায় । তেওঁৰ গাওঁৰ মাটিও সাৰুৱা নহয় । বহুত পৰিশ্ৰম কৰাৰ ফলতহে কিবা অলপ পায় । তথাপিও তেওঁ মধুৰ আৰু ৰসাল কবিতা ৰচনা কৰিছে । ইয়াৰ কাৰণ হ'ল, তেওঁৰ অন্তৰত থকা ভাবাসমূহ । তেওঁৰ জীৱন যাত্ৰাৰ পদ্ধতি অতি কঠোৰ, তথাপিও জীৱনৰ কঠোৰতালৈ আওকান কৰি অতি সুন্দৰ কবিতা লিখিছে । এনে ব্যক্তিক আমি যদি সুখ আৰু সুবিধা প্ৰদান কৰো তেন্তে তেওঁ ইয়াতকৈও ভাল কবিতাৰ সৃষ্টি কৰিব পাৰিব। অমৰ কাব্য ৰচিব পাৰিব । এতিয়া আপোনালোকে কওক এই দুজনাৰ কোনজনক আমি উত্তম কবি হিচাপে বাচিম। ৰামশৰ্মাক নে কৃষ্ণশাস্ত্ৰীক ।"

ৰজাৰ কথা শুনাৰ পাছত পণ্ডিতসকলে নিজৰ ভুল অনুভৱ কৰিব পাৰিলে । তেওঁলোকে মুক্তকণ্ঠে ঘোষণা কৰিলে, "কৃষ্ণশাস্ত্ৰীয়েই উত্তম কবি ।"

ৰজা বৰ্ধনে কৃষ্ণশাস্ত্ৰীক সন্মান জনালে । তেওঁক উত্তম কবি হিচাপে ঘোষণা কৰিলে আৰু ৰাজকবিৰ পদত তেওঁক নিযুক্ত কৰিলে।



সংবাদ বিচিত্ৰা

জাগুৱাৰ অতিথি



ব্ৰাজিলৰ ৰাজধানী চহৰ ৰিও-ডা জেনে-ৰিওত থকা এখন হোটেলত গ্ৰাহকসকলে প্ৰায়ে আগতীয়াকৈ টেবিল সংৰক্ষিত কৰি ৰাখে । অৱশ্যে কেতিয়াবা ভ্ৰমণকাৰীয়েও তাত খোৱাৰ কাৰণে প্ৰৱেশ কৰে । আগষ্ট মাহৰ কোনো এটা দিনত দুজন অপ্ৰত্যাসিত অতিথি সোমাই আহিছিল। অতিথি দুজনে হোটেলত সোমাই টেবিলৰ মাজে মাজে ঘূৰি ফুৰা দেখি গ্ৰাহক আৰু কৰ্মচাৰীবোৰে আতঙ্কিত হৈ চিঞৰি উঠিছিল । এনে অৱস্থাতো অতিথি দুজন কিছু সময় ধৰি শান্ত হৈ আছিল । পিছত সিহঁতে খঙতে আইনাৰ দুৱাৰ এখন ভাঙিছিল আৰু টেবিলৰ ওপৰৰ বস্তুবোৰ পেলাই দিছিল । ইতিমধ্যে হোটেলৰ মেনেজাৰে স্থানীয় পৰিৱেশ সন্থাৰ মানুহক খবৰ দিয়াত তেওঁলোকে আহি অতিথি দুজনক পিঁজৰাত ভৰাই লৈছিল । সেই অতিথি দুজন আছিল দুটা জাগুৱাৰ ।

কুকুৰৰ ভক্ষণৰ কাৰণে

যদি তুমি জাপানলৈ যোৱাৰ কথা ভাবিচা তেনেহলে আকাগি নেউগোই তৈয়াৰ কৰা আইচক্ৰিম চাবা । এই কোম্পানীটোৱে কুকুৰৰ কাৰণে এক বিশেষ আইচক্ৰিম তৈয়াৰ কৰি উলিয়াছে । তাৰ কোনো ব্ৰেন্ড নাম নাথাকিলেও কাপটোত লিখা থাকিব "ডগ্গিৰ আইচক্ৰিম ।" সাধাৰণ আইচক্ৰিমবোৰত লেক্টো থাকে, যিটো কুকুৰবোৰে সহজতে হজম কৰিব নোৱাৰে । এই জাপানী আইচক্ৰিম বিধত লেক্টো নাথাকে। কোম্পানীটোৰ মতে ডগ্গিৰ আইচক্ৰিম মানুহেও নিৰাপদে খাব পাৰে । এই আইচক্ৰিম বিধ বেছি মিঠা নহয়, যাৰ কাৰণে কোম্পানীটোৰ মতে, ইয়াক ডাইবেটিচ ৰোগীয়েও খাব পাৰে । কিন্তু মানুহে ইয়াক খোৱাৰ পৰা বিৰত থাকিব পাৰে । কিয়নো, একাপ আইচক্ৰিমৰ দাম ১৫ ডলাৰ (প্ৰায় ৭৫০ টকা) !

মধ্য প্ৰদেশৰ লোককথা

মধ্য প্ৰদেশ ৰাজ্যখন নামটোত থকাৰ নিচিনা ভাৰতৰ মাজ ভাগত অৱস্থিত। খনিজ সম্পদেৰে চহকী এই ৰাজ্যখন প্ৰাকৃতিক সম্পদ আৰু বন্য জন্তুৰেও ভৰপূৰ।

মধ্য প্ৰদেশ ৰাজ্যখন প্ৰধানকৈ বিন্ধ্যা আৰু সাতপুৰা পৰ্বতেৰে পৰিবেষ্টিত এটা মালভূমি। ইয়াৰ প্ৰধান নদী নৰ্মদা, তাপ্তি, চম্বল, সোণ, মহানদী আৰু ইন্দ্ৰৱতী এই পৰ্বত শাৰীৰ পৰা ওলাই এই প্ৰদেশৰ মাজেৰে বৈ গৈছে আৰু লগতে ৰাজ্যখনৰ প্ৰাকৃতিক শোভা বৰ্দ্ধন কৰিছে।

পূৰ্বৰ বহুতো ৰজাই শাসিত ৰাজ্য বৰ্ত্তমানে মধ্য প্ৰদেশৰ অন্তৰ্ভুক্ত। ১৮২০ চনৰ পাছত এই অঞ্চলটো বৃটিছে অধিকাৰ কৰে। সেই সময়ত ইয়াক চেন্ট্ৰেল প্ৰভিন্স নামে জনা গৈছিল। ১৯৫৬ চনত মধ্য প্ৰদেশ ৰাজ্য গঠন হৈছিল। ২০০১ চনত এই ৰাজ্যখনৰ পৰাই চত্তিসগড় নামে নতুন ৰাজ্য এখন গঠন কৰা হয়।

৩০৮,০০০ বৰ্গ কিলোমিটাৰ আয়তনেৰে মধ্য প্ৰদেশ ৰাজ্যৰ জনসংখ্যা ৬০,৩৮৫,১১৮ জন। এই ৰাজ্যৰ প্ৰধান ভাষা হিন্দী। ভূপাল ইয়াৰ ৰাজধানী।

মধ্য প্ৰদেশক জনজাতীয় ৰাজ্য বুলিও কোৱা হয়। কাৰণ ইয়াত বহুতো জনজাতিৰ লোকে বাস কৰে। সেই বোৰৰ ভিতৰত প্ৰধান প্ৰধান জনজাতীবোৰ হ'ল--গোণ্ড, ভীল, ওৰাওঁ, ধঙ্কা, ধঙ্গড়, পানীকা, চহৰীয়া ইত্যাদি।

ৰজা সিংহি আৰু ৰাজকুমাৰ পালি

বহু শতিকা আগতে মধ্য প্ৰদেশ অঞ্চলত দুখন ডাঙৰ ৰাজ্য আছিল। দুয়োখন ৰাজ্যই গোণ্ড জনজাতিৰ আছিল। এখন ৰাজ্যৰ নাম আছিল পালিনগৰী। এই ৰাজ্যখন সিংহি নামৰ এজন সাহসী ৰজাই শাসন কৰিছিল। তেওঁ বহুতো যাদু বিদ্যা জানিছিল।

গোণ্ডসকলে এতিয়াও সাহসী সিংহিৰ কাহিনী গীত গায়। আনখন ক্ষমতাশালী গোণ্ড ৰাজ্য আছিল বেৰাৰ। সেই ৰাজ্যৰ শাসনকৰ্ত্তা আছিল ৰজা ভোগীবিলা। ছন্দ

নামৰ এটা দুৰ্গৰ পৰা তেওঁ ৰাজ্য শাসন কৰিছিল ।

সিংহিৰ পালি নামৰ এজন পুত্ৰ আছিল । সৰুৰে পৰাই পালিৰ অসাধাৰণ শক্তি আছিল । ডাঙৰ হৈ অহাৰ লগে লগে তাৰ সেই শক্তি বাঢ়ি গৈছিল । ৰজা আৰু ৰাণীয়ে পুতেকক লৈ গৌৰৱ কৰিছিল । পালিৰ পাঁচ বছৰ বয়স হোৱাত ৰজাই পালিৰ কাৰণে কইনা বিচাৰিবলৈ ধৰিলে । "আমাৰ পালিৰ কইনাজনী অসাধাৰণ হব লাগিব । কোনো সাধাৰণ ৰাজকুমাৰী আমাৰ পালিৰ লায়ক নহব !" ৰজাই এই কথাটো প্ৰায়েই ৰাণীৰ আগত কৈছিল ।

ৰজাৰ মানুহে বেৰাৱৰ ৰজা ভোগীবিলাৰ শিশু কন্যা গাইলাৰ কথা সিংহিৰ আগত কৈছিল । সিংহিয়ে তেওঁৰ মানুহৰ মুখত গাইলাৰ কথা শুনি মোহিত হৈছিল আৰু নিজে গৈ বেৰাৱৰ ৰজাক লগ ধৰি তেওঁৰ অহাৰ উদ্দেশ্যৰ কথা ব্যক্ত কৰাৰ সিদ্ধান্ত কৰিছিল ।

ৰজাই তেওঁৰ বিখ্যাত ঘোঁৰা হংসধৰৰ পিঠিত উঠি বেৰাৱৰ উদ্দেশ্যে ৰাওনা হৈছিল। হংসধৰ এটা সাধাৰণ ঘোঁৰা নহয় । সি

শক্তিশালী, বিশ্বাসী আৰু তাৰ অলৌকক শক্তি আছে । সি উৰিব আৰু কথা কব পাৰে !

সিংহিয়ে বেৰাৱ ৰাজ্যত উপস্থিত হৈ ৰজাক লগ ধৰাৰ আগতে ছন্দ দুৰ্গৰ সন্মুখত থকা ৰাজউদ্যানত অলপ বিশ্ৰাম লোৱাৰ কথা ভাবিছিল । কিন্তু তেওঁ ৰাতি যেতিয়া শুই পৰিছিল হংসধৰে বন্য জন্তুৰ দৰে আচৰণ

ইতিহাস

মধ্য প্ৰদেশৰ ইতিহাস অতি প্ৰাচীন আৰু চহকী । সম্ৰাট অশোকে মধ্য প্ৰদেশৰ উজ্জয়িনীৰ পৰা ৰাজকাৰ্য্য আৰম্ভ কৰিছিল । ৩০০ খৃষ্টাব্দৰ পৰা ৫৫০ খৃষ্টাব্দলৈ এই অঞ্চলটো গুপ্ত সাম্ৰাজ্যৰ অন্তৰ্ভূক্ত আছিল । সপ্তম শতিকাত এই অঞ্চলটো হৰ্ষবৰ্দ্ধণৰ সাম্ৰাজ্যৰ এটা অংশ আছিল । ১১ শতিকাৰ আগভাগত এই অঞ্চলটো মুছলমানসকলে আক্ৰমণ কৰি দখল কৰে। ১৬ শতিকাৰ শেহৰ ফাললৈকে ই মোগল সাম্ৰাজ্যৰ অধীনতে আছিল । কিছুদিন মাৰাঠাসকলে এই অঞ্চলটো শাসন কৰাৰ পিছত ই বৃটিছৰ অধীনলৈ যায় । ইন্দোৰৰ ৰাণী অহল্যাবাঈ ৰাণী দুৰ্গাৱতীআৰু ৰাণ কমলা দেৱীৰ দৰে কিছুমান বীৰঙ্গনা নাৰীয়ে বীৰত্বৰে শাসন কৰি এই ৰাজ্যৰ ইতিহাসত নাম ৰাখি থৈ গৈছে ।

কৰি উদ্যানৰ বহুতো গছপুলি ভাঙি পেলাইছিল । পিছদিনা ৰাতিপুৱা ৰজা ভোগীবিলৰ আগত যেতিয়া উদ্যান নষ্ট কৰা কথা কোৱা হ'ল, ৰজাই তেতিয়া খঙতে কৈছিল, "মোৰ উদ্যানত ঘোঁৰা এৰি দিয়া সেই ঘোঁৰাচহিচজননো কোন ?" ৰজাই ঘোঁৰাৰ গৰাকীক ধৰিবলৈ সৈন্য পঠাই দিছিল।

ৰজাৰ সৈনিকে গৈ সিংহিৰ গাত ধৰি মতাত সিংহিয়ে টোপনিৰ জালতে এঙামুৰি কাঢ়ি কৈছিল, "মই পালিনগৰীৰ ৰজা সিংহি। মই ৰজা ভোগীবিলক লগধৰিবলৈ আহিছো। তেওঁৰ কন্যা গাইলাক মোৰ পুত্ৰ পালিৰ কাৰণে বিয়া কৰোৱাৰ উদ্দেশ্যে আহিছো ।" এইবুলি কৈ তেওঁ আকৌ শুই পৰিছিল । ৰজাৰ মানুহে গৈ যেতিয়া ৰজা ভোগীবিলৰ আগত এই কথাবোৰ কৈছিল তেতিয়া ৰজাই গৰ্জন কৰি কৈছিল, "মোৰ কন্যাই এজন ভিকহু ৰাজকুমাৰক বিয়া কৰাব ! সৈন্য সাজু কৰা । বাগিছাত থকা সেই মূৰ্খটোক কোৱাগৈ যে আজিৰ পৰা এসপ্তাহৰ ভিতৰত আমি তেওঁৰ ৰাজ্য আক্ৰমণ কৰিম ।"

ভোগীবিলৰ মানুহে আহি সিংহিক এই খবৰটো দিয়াত সিংহিয়ে একো গ্ৰাহ্য কৰা যেনেই নেদেখুৱালে । তেওঁ গোটেই সপ্তাহটো শুইয়ে কটালে । অষ্টম দিনা যেতিয়া ভোগীবিলৰ সৈন্য আহি তেওঁৰ সম্মুখীন হ'ল তেতিয়াহে তেওঁ টোপনিৰ পৰা উঠিল । তেওঁ কিছুমান অলৌকিক শক্তিক তেওঁক সহায় কৰিবলৈ অনুৰোধ কৰিলে । লগে লগে এদল এদলকৈ চয়তান,পিশাচ,দৈত্য,বাদুলি,মৌমাখি,বনৰীয়া জন্তু আৰু শগুণৰ দল আহি তাত গোট খালে। দুয়ো পক্ষৰ মাজত এক ভয়ানক যুদ্ধ লাগিল।

হস্তশিল্প

শাৰীৰ কাৰণে মধ্য প্ৰদেশ বিখ্যাত । ইয়াৰে কপাহী আৰু পাটৰ তৈয়াৰী চান্দেৰী আৰু মহেশ্বৰী শাৰী পৃথিৱী বিখ্যাত । মহেশ্বৰী শাৰীৰ বিশেষত্ব হ'ল, ইয়াৰ সাধাৰণ ডিজাইন আৰু বিভিন্ন ৰঙৰ সমাহাৰ।

জনজাতি সকলৰ মাজত প্ৰচলিত শামুকৰ খোলা আৰু চৰাইৰ পাখীৰে তৈয়াৰী গহনা অতি বিখ্যাত। এইবোৰৰ শিল্প কাৰ্য্য অতি বৈশিষ্ট্যপূৰ্ণ । ইয়াৰ বাহিৰে সোণ,ৰূপ,পিতল আৰু নানা ধৰণৰ গহনাও তৈয়াৰ কৰা হয় ।

ধাতুৰে তৈয়াৰী অলঙ্কাৰ বাকচ,চাকি,সৰু মূৰ্তি আদি ইয়াৰ অন্যতম হস্তশিল্পৰ চানেকি। গোৱালিয়াৰ আৰু ভূপালত তৈয়াৰী কাপোৰৰ পুতলাই আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰিছে । পিথোৰা আৰু লিপাই আৰ্হিৰ ওৱাল পেইন্টিং জনজাতি সকলৰ মাজত অতি বিখ্যাত ।

সিংহিৰ অলৌকিক শক্তিৰ সৈন্যবাহিনীয়ে বেৰাৰৰ সৈন্য বাহিনীক সম্পূৰ্ণৰূপে ধ্বংস কৰিলে । শেষত সিংহিৰ লগত যুদ্ধ কৰিবলৈ ভোগীবিল নিজেই ওলাই আহিল। সিংহিয়ে হংসধৰৰ পিঠিত উঠি আক্ৰমণ কৰিবলৈ উদ্যত হ'ল । দুয়ো বীৰে গোটেই দিনটো যুদ্ধ কৰি ভাগৰুৱা হৈ মাটিত নামিল। কিন্তু হায় ! এদিনাখন হংসধৰে উজুটি খোৱাত ৰজা সিংহি মাটিত বাগৰি পৰিল । তেওঁ গৈ ৰজা ভোগীবিলৰ মানুহে গোপনে খান্দি থোৱা এটা গাঁতত পৰিছিল ।

ভোগীবিলৰ বিজয়ৰ অট্টহাঁহিত ছন্দ দুৰ্গ ৰজনজনাই উঠিছিল, আনকি তাৰ শব্দ পাহাৰৰ সিপাৰতো প্ৰতিধ্বনিত হৈছিল । ৰাজ্যৰ প্ৰতিজন গোণ্ডেই ৰজাৰ জয়ৰ উৎসৱ পালন কৰিছিল । সিংহিক টানি আনি এটা অন্ধকাৰ কোঠাত আহাৰ পানী একো নিদিয়াকৈ বন্দী কৰি ৰাখিছিল ।

সিংহিক মানুহবোৰে টানি নিয়া দেখি হংসধৰে মানুহবোৰক বাধা দিবলৈ চেষ্টা কৰিছিল । কিন্তু সকলো চেষ্টাই বৃথা হৈ গৈছিল । সৈন্যবোৰে হংসধৰক খেলি দি কৈছিল, "এয়ে তোৰ গৰাকীক শেষ দেখা । তেওঁৰ পত্নী আৰু পুত্ৰক মৃতকৰ শ্ৰাদ্ধ কৰিবলৈ কগৈ ।" অৱশেষত হংসধৰে সেই বেদনাদায়ক বাতিৰটো বহন কৰি পালি নগৰীত আহি উপস্থিত হৈছিল ।

ঘোঁৰাটোৱে আহি ৰাণীৰ আগত দুখেৰে কৈছিল, "গৰাকীৰ মৃত্যু হৈছে ! গৰাকীৰ কাৰণে শোক দিবস পালন কৰিব লাগে । এই কথা শুনি ৰাণী মূৰ্চা গৈছিল । কিন্তু ৰাজকুমাৰ পালি নিৰ্ভিক হৈয়ে আছিল ।

তেওঁ গোটেই ঘটনাটো শুনাৰ পাছত মাকক কৈছিল, "মা, তুমি এই ৰাজ্যৰ ৰাণী।

ৰাণী কেতিয়াও দুৰ্বল হৃদয়ৰ হব নালাগে ।" তেওঁ আকৌ কৈছিল, "হংসধৰেতো পিতাৰ মৃতদেহটো দেখা নাই । তেওঁৰ মৃত্যু নহবও পাৰে । মই ভাবো তেওঁ জীয়াই আছে । মই গৈ তেওঁক উদ্ধাৰ কৰি লৈ আহিম ।"

তেতিয়া ৰাণীয়ে কৈছিল, "বাচা, তই তেনেই সৰু ল'ৰা । য'ত তোৰ পিতাৰে পৰাজিত হৈছে তাত তই কেনেকৈ কৃতকাৰ্য্য হবি । কিন্তু পালিয়ে কোনো কথা নুশুনি কেইপদমান বস্তু গোটাই লৈছিল । ঢাল আৰু তৰোৱাল কঁকালত বান্ধি লৈ হংসধৰৰ পিঠিত জাঁপমাৰি উঠি কৈছিল, "বল্লা মোৰ বিশ্বাসী বন্ধু, পিতাক য'ত শেষ মুহূৰ্ত্তত দেখিছিলা তালৈকে লৈ বলা ।"

হংসধৰে উত্তেজনাত কাঁপি উঠিছিল । সি ভাবিছিল, ৰাজকুমাৰৰ কথাও সঁচা হব পাৰে। ৰজাক আকৌ ঘূৰাই পাবও পাৰে ! সেয়েহে হংসধৰে অলপো সময় পলম নকৰি

কীৰ্তি স্তম্ভ

মধ্য প্ৰদেশ ৰাজ্যখন ইয়াৰ স্থাপত্য বিদ্যাৰ কাৰণে বিখ্যাত । সকলোৰে ভিতৰত প্ৰখ্যাত হ'ল খাজুৰাহোৰ মন্দিৰ । ইয়াৰে ৮৫টা মন্দিৰত অতুলনীয় চিত্ৰ খোদিত কৰা আছে । অন্য এক বিখ্যাত কীৰ্তি স্তম্ভ হ'ল সাঁচিৰ স্তুপ,যিটো প্ৰথমতে মৌৰ্য্য সম্ৰাট অশোকে নিৰ্মাণ কৰিছিল । ওৰছাৰ ৰাজপ্ৰাসাদবোৰতো সেই সময়ৰ স্থাপত্য কলাৰ নিদৰ্শন পোৱা যায় । ইয়াৰ বাহিৰেও মধ্য প্ৰদেশত সৰু-ডাঙৰ আৰু বহুতো কীৰ্তি স্তম্ভ আছে ।

ৰাজকুমাৰক পিঠিত তুলি লৈ পাখীমেলি আকাশেৰে উৰি গৈছিল ।

আধামান বাট যোৱাৰ পিছত পানী খাবলৈ বুলি তেওঁলোক এটা নদীৰ পাৰত ৰৈছিল । পালিয়ে হঠাতে এটা ডাঙৰ হিচহিচ শব্দ আৰু কিছুমান চিঁচিঁয়নী শব্দ শুনিবলৈ

পাইছিল । এডাল গছত থকা শগুণৰ বাহৰ পোৱালী দুটাক খাবলৈ এডাল ফেটি সাপ ফেটতুলি ৰৈ থকা তেওঁ দেখিবলৈ পাইছিল। শগুণৰ পোৱালী কেইটাই ভয়তে চিঞৰি আছিল । "ৰাজকুমাৰ, যোৱা চৰাইৰ পোৱালীকেইটাক ৰক্ষা কৰা । ৰাজ্যত থকা পশু পক্ষীক ৰক্ষা কৰাতো ৰজাৰ কৰ্ত্তব্য ।" হংসধ্বৰে উপদেশ দিছিল ।

ৰাজকুমাৰে গছত উঠি গৈ একে ঘাপে সাপটো মাৰি পেলাইছিল । তেতিয়া এটা ডাঙৰ শগুণ তালৈকে উৰি আহিছিল । সেয়া আছিল শগুণৰ ৰাণী গিধাল । "ৰাজকুমাৰ তোমাক অশেষ ধন্যবাদ । তুমি মোৰ সৰ্বশেষ পোৱালী দুটা ৰক্ষা কৰিলা । সেই সাপটোৱে আগতে মোৰ দহটা পোৱালী খাইছে । তুমি যি উদ্দেশ্য লৈ আহিছা সেই উদ্দেশ্য সাৰ্থক হব । তোমালৈ মোৰ আশীৰ্বাদ থাকিল । লগতে এই হাবিৰ সকলো জীৱ জন্তু তোমাৰ সহায় হৈ থাকিব।" শগুণৰ ৰাণীয়ে কৈছিল।

তেওঁলোক গৈ বেৰাৰ ৰাজ্যত উপস্থিত

হৈছিল । হংসধৰে পালিক সেই উদ্যান-খনলৈ লৈ গৈছিল, য'ত সিংহিয়ে জিৰণী লৈছিল । "মই এতিয়া শুই লওঁ, কালিলৈ ভোগীবিলক প্ৰত্যাহ্বান জনাম ।" পালিয়ে কৈছিল । তেওঁ সোণালী টেন্ট এটা তৰি তাত সোণ আৰু মুকুতা খচিত বিচনা এখন পাৰি লৈছিল । তাৰ ওপৰত কোমল কাপোৰ পাৰি ৰাতিটোৰ কাৰণে শুই পৰিছিল । সোণালী টেন্টটো এন্ধাৰতো জিলিকি উঠিছিল । ৰজা ভোগীবিল আৰু সভাসদ-সকলে দুৰ্গৰ পৰা সেই জিলিকিনি দেখিবলৈ পাইছিল ।

পিছদিনা ৰাতিপুৱা ভোগীবিলে যোৱাৰাতি দেখা সোণালী চিকমিকনিৰ বিষয়ে অনুসন্ধান কৰিবলৈ মানুহ পঠোৱাৰ

আগতে পালিয়ে যুদ্ধৰ কাৰণে সাজু হৈছিল। তেওঁ কুৱাৰ ওপৰত থকা সোণালী শ্লেবখন উঠাই লৈ সেইখন প্ৰাসাদৰ ফালে মাৰি পঠাইছিল । সেইখন ঘূৰি ঘূৰি গৈ ভোগীবিলৰ ৰাজসভাত গৈ পৰিছিল আৰু বহুতো সভাসদৰ মৃত্যু হৈছিল । তেতিয়া ভোগীবিলে সৈন্যসকলক আক্ৰমণ কৰিবলৈ আদেশ দিছিল । কিন্তু তেতিয়া বহুত পলম হৈ গৈছিল।

পালি আৰু হংসধৰ আগবাঢ়ি গৈছিল । অতি সোনকালে তেওঁলোকে ৰাজপ্ৰাসাদত উপস্থিত হৈ ভোগীবিলক যুদ্ধত পৰাস্ত কৰি পালিয়ে তেওঁক বধ কৰিছিল । তেতিয়া অন্যান্য সেনাবোৰে ভয়তে পালিৰ বশ্যতা স্বীকাৰ কৰি সিংহিক বন্দী কৰি থোৱা ঠাইলৈ পালিক লৈ গৈছিল । পালিয়ে পিতাকক দেখি আনন্দতে সাবতি ধৰিছিল । তাৰ পাছত পালিয়ে পিতাক আৰু ভোগীবিলৰ কন্যা গাইলিক লগত লৈ হংসধৰৰ পিঠিত উঠি পালিনগৰীলৈ যাত্ৰা কৰিছিল ।

হীৰাৰ খনি

বহু শতিকা আগৰে পৰা ভাৰতত হীৰা পোৱা গৈছিল । দক্ষিণ আফ্ৰিকাত হীৰা আৱিষ্কাৰ হোৱাৰ আগতে পৃথিৱীৰ ভিতৰত একমাত্ৰ ভাৰতেই হীৰা যোগান ধৰিছিল । আমাৰ দেশৰ একমাত্ৰ হীৰাৰ খনিটো পান্না জিলাৰ মাঝগাঁৱত আছে । দি ইণ্ডিয়ান বুৰো অফ মাইনৰ মতে এই খনিটোত প্ৰায় এক নিযুত কেৰেত হীৰা মজুত আছে । বৰ্তমানে জাতীয় খনিজ উন্নয়ন নিগম নামৰ ভাৰত চৰকাৰ এটা সংস্থাই হীৰা খনৰৰ কাম কৰি আছে । এই খনিটো জিলাখনৰ প্ৰায় ৮০ কি.মি. ঠাই আগুৰি আছে ।

ভাৰতৰ বিষয়ে জানি লোৱা

অন্য বহুতো দেশৰ তুলনাত ভাৰতবৰ্ষত উৎসৱৰ সংখ্যা বহুত বেচি । ইয়াৰ কাৰণ হিচাবে কব পাৰি ভাৰতবৰ্ষ বহুতো ধৰ্মৰউৎপত্তি স্থল । তাৰোপৰি অন্যান্য ধৰ্মত বিশ্বাসী লোকসকলকো ইয়াত বসতি স্থাপন কৰিবলৈ স্বাগতম জানোৱা হয় । চেপ্তেম্বৰ,অক্টোবৰ আৰু নৱেম্বৰ মাহকেইটাক উৎসৱৰ মাহ বুলি কব পাৰি । এই মাহৰ প্ৰশ্নাৱলীত তোমালোকক উৎসৱ সম্পৰ্কে প্ৰশ্ন সোধা হৈছে ।

১.দক্ষিণ ভাৰতৰ এখন ঠাই দশহৰাউৎসৱৰ কাৰণে বিখ্যাত । সেই ঠাইখনৰ নাম কি আৰু সেই উৎসৱৰ বিশেষত্ব কি ?

২.ৰথখন টানি নিয়াৰ আগতে এজন মহাৰজাই সেই ৰাস্তাটো সাৰি দিয়ে । এই উৎসৱটোৰ নাম কি ? এই উৎসৱ প্ৰধানভাবে ক'ত পালন কৰা হয় ?

৩.এটা উৎসৱ উপলক্ষে এখন ৰাজ্যত চিলা উৰুৱা হয় আৰু অইন এখন ৰাজ্যত চাউল সিজোৱা হয় । এই উৎসৱটোৰ নাম কি ? ৰাজ্য দুখনৰ নাম কোৱা ।

৪.প্ৰফেট মহম্মদৰ পুত্ৰ হুছেইনৰ শ্বহীদ হোৱা দিনটোক মুছলমান সকলে কিদিন হিচাবে পালন কৰে ?

৫.পাৰ্চিসকলে ফৰাদিন (আগষ্ট-চেপ্তেম্বৰ) মাহত জোৰাষ্টাৰৰ জন্মদিন পালন কৰা উৎসৱটোক কি বুলি কোৱা হয় ?

৬.মাদুৰাইৰ চিত্ৰাই উৎসৱৰ বৈশিষ্ট্য কি ?

৭.জানুৱাৰী ফেব্ৰুৱাৰী মাহত চেন্নাইত (পূৰ্বৰ মাদ্ৰাজ) এটা উৎসৱ পালন কৰা হয় । এই উৎসৱত দেৱতাৰ মূৰ্ত্তিটো এখন নানাৰঙৰ সজোৱা নাৱত লৈ অহা হয় । কোন মন্দিৰত এই উৎসৱ পালন কৰা হয় ? দেৱতাজন কোন ?

৮.গোৱাত হোলি উৎসৱক অন্য নামেৰে কোৱা হয় । সেই নামটো কি ?

(উত্তৰ অহা সংখ্যাত)

চেপ্তেম্বৰ সংখ্যাৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. মেঘনাদ চাহা
২. বিচপ কটন
৩. বৃহস্পতি
৪. আৰ্য্যভট্ট
৫. থমচন কলেজ অফ ইঞ্জিনীয়াৰিং
৬. ৰুৰকী বিশ্ববিদ্যালয়
৭. ইণ্ডিয়ান ইনষ্টিটিউট অফ মেনেজমেন্ট, আহমদাবাদ
৮. কে.এম.পানিক্কৰ

গণেশ

গংগা আৰু পাৰ্বতীৰ মাজত সদায় আৰু প্ৰায় সকলো কথাত দন্দ-বান্দ লাগিছিল । গংগাৰ অৱতৰণৰ গুৰিতো দ্বন্দ্ব ।

নাৰদে পাৰ্বতীক ক'লে, "তিনি কৌটি দেৱতা আৰু তেওঁলোকৰ ভক্তসৱে গংগাৰ নাম শুনিলেও আঁঠু লয় । তেওঁলোকৰ মানত গংগাৰ পানী কেৱল পবিত্ৰই নহয়, এই পানীৰ সৈতে তেওঁলোকৰ জীৱনো জড়িত । হে গৌৰী মাতৃ, তুমিও এনেকুৱা যদি কিবা কৰা, যাৰ দ্বাৰা সকলো উপকৃত হয়, তেনেহ'লে অসংখ্য দেৱতা আৰু মানুহৰপৰাও শ্ৰদ্ধা লাভ কৰিবা।"

এই কথা কৈয়েই নাৰদ পোনে পোনেই গংগাৰ ওচৰলৈ গ'ল আৰু ক'লে, "আই গংগা, তোমাক হেয় কৰিবলৈ পাৰ্বতী বদ্ধপৰিকৰ হৈছে । তেওঁ তোমাৰ সৈতে কাজিয়া কৰিবলৈ আহিবই ।"

"চাৰিওফালে মোৰ নাম-ডাক শুনি পাৰ্বতীৰ যে ঈৰ্ষা হৈছে সেই কথাটো মই বহুদিনৰেপৰাই জানিছো । আহক তাই-- এনে দাঁতভঙা শিক্ষা দিম যে জীৱনতো তাই পাহৰিব নোৱাৰিব ।" গংগাই ক'লে ।

গংগাৰ বুকুলৈ ফুল অৰ্পণ কৰাৰ পাছত পাৰ্বতীয়ে পানীলৈ নমাৰ যো-জা কৰোঁতেই গংগাই তিহতিহাই উঠি কলে, "ৰ'বা, মোৰ পানী তুমি অপৱিত্ৰ নকৰিবা ।"

বহু, এই এষাৰ কথা লৈ পাৰ্বতী আৰু গংগাৰ মাজত তুমুল উখনা-উখনিৰ সৃষ্টি হ'ল। পাৰ্বতীয়ে গংগাৰ এই কথাত অত্যন্ত অপমানিতা বোধ কৰিলে ।

"কাৰ্তিকৰ কাৰণে তোমাৰ গৰ্ব কৰিবলগীয়া একো নাই। গণেশ যে তোমাৰ পুত্ৰ সেই কথা অৱশ্যে এশবাৰ স্বীকাৰ কৰিম, তোমাৰ মুখলৈ চালেই সেই কথা ওলাই পৰে। মুখো যে মুখ! যেন--"

গংগাই কথাষাৰ শেষ কৰিবলৈ নৌ পাওঁতেই পাৰ্বতীয়ে কৈ উঠিল, "মই কোন জানানে? সকলো মানুহ, আনকি দেৱতায়ো যিজনক পূজে সেই শিৱৰ অৰ্ধাংগিনী।

"মই যে কোন তুমিও জানাই নিশ্চয়? পাইছা হোজা বিধৰ এজনক -- আধামান গিলি খাইছা। এয়া যে আচলতে পাপকাৰ্য্য সেই কথাটোও নাজানা নেকি? আধামান গিলি খোৱাৰ পাছত নিজক অৰ্ধাংগিনী বুলি প্ৰচাৰ কৰাৰ মাজত একো বাহাদুৰি নাই।" গংগাই ক'লে।

"তুমি বাগৰি পৰা তিৰোতা। তুমি ভ্ৰষ্টা, অধঃপতিতা।" পাৰ্বতীয়েও নেৰিলে।

"হলাহল বিষৰ তীব্ৰ দহনেৰে যেতিয়া ডিঙি দহিত হৈছিল, তেতিয়া সেই দহন মইহে প্ৰশমিত কৰিছিলোঁ। মোক এনেয়ে শিৱই মস্তকৰ ওপৰত স্থান দিয়া নাছিল। মই যি স্থান পাইছোঁ--ভ্ৰষ্টাইঁতে সেই স্থান কেতিয়াও পাব নোৱাৰে।"

"হৈছে হৈছে, বেছি ফুটনিত বেঙেনা নাভাজিবা। এতিয়া আৰু নিজৰ ঢোল নিজে তেনেকৈ নোকোবালেও হ'ব।" পাৰ্বতীয়ে গংগাক আকৌ জোকাই ল'লে।

"হেঁ:--বিৰিখ তোমাৰনো নাম কি? ফল চাই বুজ লোৱাঁ। যি এটা গদহা ল'ৰা তোমাৰ জনম লৈছে--সেই গদহাটোক চায়েই তোমাৰ সম্পৰ্কে বুজাই বুজিব, জনাই জানিব। এই ক্ষমতা লৈ আৰু বৰাই কৰি নুফুৰিবা, হাঁহিয়াতৰ পাত্ৰীহে হ'বা।" গংগায়ো নেৰিলে।

"কি ক'লা--কি ক'লা তুমি? মোৰ ক্ষমতাৰ, মোৰ শক্তিৰ কথা কৈছা তুমি? বাৰু, মই মোৰ শক্তি দেখুৱাইছোঁ ৰ'বা।" এইবুলি কৈয়েই পাৰ্বতীয়ে তেওঁৰ হাতকে-ইখন জোকাৰি দিলে। আৰু পাছমুহূৰ্তৰে-পৰাই বিশ্ব জুৰি প্ৰলয়ংকৰ কাণ্ড আৰম্ভ হ'ল। আকাশত মেঘে মেঘে ঘঁহনি খাই বিজুলী চমকিবলৈ ধৰিলে। য'তে ত'তে বজ্ৰপাত হৈ থাকিল। বৰফৰ পৰ্বতবোৰ গলি গলি পৰিবলৈ ধৰিলে।

পাৰ্বতীৰ ক্ৰোধান্বিত মূৰ্তিলৈ চাই গংগাই

হাঁহি হাঁহি ক'লে, "এয়েনে তোমাৰ ক্ষমতা? মোক সৰু বুলি প্ৰমাণ কৰিবলৈ ইমান কাণ্ড কৰিবলগীয়া হ'লনে ? মোৰ জলশক্তি যে অসীম তুমি কিজানি সেই কথাটো পাহৰিলাই। মোৰ গতিক যদি তুমি বাধা দিয়া-- তেনেহ'লে তাৰ বাবে তুমিহে জগৰীয়া হ'বা।" এই বুলি কৈয়েই গংগাই হিমালয়ৰ সমান উচ্চতাৰে ওফন্দি উঠাত সমগ্ৰ উত্তৰাঞ্চল জলমগ্ন হৈ পৰিল ।

তেতিয়া দেৱতাসকলে আকাশৰপৰা পৃথিৱীৰ এই বীভৎস ৰূপ প্ৰত্যক্ষ কৰি নিজৰ মাজত কোৱাকুই কৰিবলৈ ধৰিলে : "এই অথন্তৰৰ গুৰিত আমাৰ নাৰদ ।"

দক্ষিণৰ পৰা উত্তৰ দিশলৈ গৈ থাকোঁতে বাটত নাৰদক দেখা পাই গণেশে ক'লে, "অলপ ৰ'বচোন কাজিয়াকন্দলৰ গুৰু, এইবাৰ আনন্দিত হৈছেনে ? হেঁ হেঁ-- তোমাৰো যে কিমান খেলা !"

নাৰদে হাঁহি মাৰি ক'লে, "এনেবোৰ সমস্যাৰ সমাধানলৈ যিজন আগবাঢ়ি যায় তেওঁহে খ্যাতিমন্ত হয় ।" এইবুলি কৈ তম্বুৰা বজাই নাৰদ তাৰপৰা গুচি গ'ল আৰু গণেশ আগবাঢ়িল কৈলাসলৈ ।

কৈলাসলৈ যোৱাৰ পাছত পাৰ্বতীয়ে আপোনমনে ভোৰভোৰাই থকা শুনিলে গণেশে । পাৰ্বতীয়ে কৈ আছিল : আকৌ কোনোবা ভগীৰথ নোলালে গংগাৰ এইবোৰ মইমতালি স্তব্ধ কৰিব পৰা নহ'ব ।

কথাবোৰ গণেশৰ কাণত পৰিছিল; কিন্তু গণেশে একো নুশুনাৰ ভাও জুৰি ক'লে,



"মা, মই এটা ভাল কামলৈ ওলাইছোঁ । মোক তুমি আশীৰ্বাদ কৰাঁ, মা ।"

"বোলোঁ-তোমাৰ আন এক নাম হ'ল বিঘ্নেশ্বৰ । তোমাৰ কোনো কামতে বিঘ্ন ঘটিব নালাগে । ভাল কথা, দক্ষিণদেশলৈ গৈছিলা যে--তাৰ খবৰ কি কোৱাচোন ?" পাৰ্বতীয়ে গণেশক সুধিলে ।

বিঘ্নেশ্বৰে ক'লে, "কি কওঁ মা; বিন্ধ্যা পৰ্বতৰ সিপাৰে ক'বলৈ গ'লে একো নাই ; সেই শস্যশ্যামলতা একেবাৰেই নাই । তুমি অন্নপূৰ্ণা হৈ দক্ষিণদেশলৈ অলপ কৃপাদৃষ্টি দিয়াহেঁতেন সেই অঞ্চলৰ অধিবাসীসকলৰ যথেষ্ট উপকাৰ হ'ল হেঁতেন বুলি মোৰ ধাৰণা। আই গংগায়ো তালৈ যোৱাহেঁতেন ভাল হ'লহেঁতেন ।"

পাৰ্বতীয়ে ক'লে "মইনো কি ক'ম ?

জগতৰ যতমানে অভাৱ-অনাটনৰ অন্ত পেলোৱাৰ দায়িত্ব বিশ্বনাথৰহে ।"

গণেশে টপৰাই ক'লে, "চোঁৱাঁ মা, কেতিয়া তেওঁ মন কৰিব, আৰু তাৰ পাছত কেতিয়া তেওঁ ছন কৰিব, তালৈ বাট চাই বহি থকা উচিত নহয় ।"

"ঠিক কথা । তুমি আগুৱাই নোযোৱা কিয়? তুমি মন কৰিলে নিশ্চয় কাম কৰিব পাৰিবা ।" পাৰ্বতীয়ে ক'লে ।

"তোমাৰপৰা সেই অনুমতিহে মোক লাগে । বাৰু, মই আহোঁহে মা ।" পাৰ্বতীক সাষ্টাংগে প্ৰণাম কৰি গণেশ পোনকোবেই মহৰ্ষি গৌতমৰ আশ্ৰমলৈ গুচি গ'ল ।

আশ্ৰমৰ ওচৰলৈ গৈ গণেশে এটি গৰুৰ ৰূপ ল'লে আৰু আশ্ৰমৰ গছ-গছনিবোৰ মহটিয়াই খাবলৈ ধৰিলে ।

গৰুটোক খেদিবলৈ মহৰ্ষি গৌতমে কমণ্ডলুৰপৰা পানী ছটিয়ালে আৰু সেই পানী গাত পৰাৰ লগে লগে গৰুৰূপী গণেশ ছটফটাই মাটিলৈ বাগৰি পৰিল । মহৰ্ষি গৌতমে নিজৰ আৰ্জিত সুকীৰ্তি আৰু তপস্যাৰ ফল অৰ্পণ কৰাতো সেই অভিশপ্ত গৰুটো মাটিৰপৰা আৰু নুঠিল ।

ঘটনাটোৰ কথা গম পায়েই নাৰদ লৰৰি গ'ল ইন্দ্ৰৰ ওচৰলৈ। ইন্দ্ৰ আগৰেপৰাই গৌতমৰ ওপৰত ক্ৰুদ্ধ হৈয়েই আছিল । এই ক্ৰোধৰ ঘাই কাৰণ আছিল সুন্দৰী অহল্যা । অহল্যা আছিল ব্ৰহ্মাৰ সৃষ্টি। অহল্যাৰ ৰূপত মুগ্ধ হৈ ইন্দ্ৰই অহল্যাক লাভ কৰিবলৈ যত্ন পৰ হৈছিল । অহল্যাক লাভ কৰিবলৈ আন বহুতেও চেষ্টা চলাই আছিল গতিকে-এক নিৰ্দিষ্ট দিনত নিৰ্দিষ্ট সময়ত ব্ৰহ্মাই এখন প্ৰতিযোগিতা পাতিলে । কোৱা হ'ল যে- আটাইতকৈ আগতে যিজনে ভূদেৱীক প্ৰদক্ষিণ কৰি আহিব পাৰিব, তেৱেঁই এই পৰমাসুন্দৰী অহল্যাক পাব ।

কালবিলম্ব নকৰি মহৰ্ষি গৌতমে প্ৰসৱৰতা গাই এজনীক প্ৰদক্ষিণ কৰি ব্ৰহ্মাৰ ওচৰলৈ গৈ যুক্তি-তৰ্কেৰে বুজাই অহল্যাক লাভ কৰিছিল ব্ৰহ্মাৰপৰা ।

যিগৰাকী গৌতমে গাই এজনীক ভূদেৱী হিচাপে গণ্য কৰি প্ৰদক্ষিণ কৰিলে, সেই গৌতমেই হ'ল গোহত্যাৰ হেতু । এই অৱস্থাৰ সুবিধা লৈ ইন্দ্ৰই গৌতমক উচিত শিক্ষা দিবলৈ আগবাঢ়িলে । গৌতমৰ বিৰুদ্ধে প্ৰচাৰ কৰিবলৈ সাধুৰ বেশত ইন্দ্ৰ ওলাল । গৌতমে

গোহত্যাৰ কথা চাৰিওফালে প্ৰচাৰ কৰি থাকোঁতে ক'লে, "এতিয়া, একমাত্ৰ গংগাই আশ্ৰমৰ মাজেদি প্ৰবাহিত হ'লেহে আশ্ৰম পাপমুক্ত হ'ব ।"

সাধুৰূপী ইন্দ্ৰৰ কথা শুনি বিভিন্ন ঋষিয়ে গৌতমৰ নিন্দা কৰিবলৈ ধৰিলে । ইন্দ্ৰৰ ভয়তে গৌতমৰ আশ্ৰমৰ শিষ্যসকল আশ্ৰম এৰি পলাল ।

আন একো উপায় নাপাই মহৰ্ষি গৌতম ভগীৰথলৈ তপস্যাত বহিল ।

কপিল মহামুনিৰ কোপাগ্নিৰে ভস্মীভূত পূৰ্বপুৰুষসকলক পুনৰ্জীৱিত কৰাৰ উদ্দেশ্যত কঠোৰতম তপস্যা কৰি ভগীৰথে গংগাক ভূমিলৈ লৈ আহিছিল । শিৱই গংগাক জটাত ধাৰণ কৰিছিল । তেতিয়া গংগাৰ নাম হ'ল গংগা-ভৱানী । শিৱৰ জটাজালত আবদ্ধ গংগাক মুক্ত কৰি আনিবলৈ ভগীৰথে শিৱলৈ তপস্যা কৰিবলৈ ধৰিলে । তপস্যাত তুষ্ট হৈ শিৱই গংগাৰ বাবে অলপ বাট উলিয়াই দিলে। তাৰ ফলত গংগা দুৰন্ত গতিৰে পূব দিশলৈ প্ৰবাহিত হ'ল । গংগাৰ আন এক নাম ভাগীৰথী । গংগাৰ আন এটি শাখা পশ্চিমদিশলৈ প্ৰবাহিত হ'ল । তাত গংগাৰ আন এক নাম হ'ল সিন্ধু । এই 'সিন্ধু' নদীৰ নামৰপৰাই সেই অঞ্চলৰ নাম সিন্ধুদেশ হৈছিল ।

ভগীৰথৰ সৈতে তীব্ৰ গতিৰে গংগাক আগবাঢ়ি অহা দেখি জহ্নুমুনিয়ে একে শোহাই গংগাক পি খালে । গংগাৰ সুতীব্ৰ গতি দেখা পাই, তেওঁৰ আশ্ৰম গংগাই উটুৱাই লৈ যাব



বুলি ভাবি গংগাৰ গতিৰোধ কৰিছিল । পাছত, ভগীৰথৰ অনুৰোধত জহ্নুমুনিয়ে গংগাক মুক্তি দিলে । তাৰ পাছৰপৰা গংগাৰ আন এক নাম হ'ল জাহ্নবী । তাৰ পাছত, কপিলাশ্ৰমৰ মাজেদি গংগাৰ পৱিত্ৰ পানী প্ৰবাহিত হ'ল আৰু ভগীৰথে তেওঁৰ অকালতে হেৰুউৱা পূৰ্বপুৰুষসকলক পুনৰ্জীৱিত কৰিব পাৰিলে ।

এতিয়া গৌতমৰ কঠোৰ তপস্যাত মুগ্ধ হৈ গংগাই ভাবিলে : গৌতমৰ দৰে কঠোৰ তপস্যা ভগীৰথেও কৰা নাছিল । গতিকে মই গৌতমৰ ওচৰলৈ যোৱা উচিত । এই কথা ভাবি গংগাই গৌতমৰ ওচৰলৈ যাবলৈ প্ৰবাহিত হ'বলৈ ধৰিলে । গংগাৰ আগমনৰ লগে লগে ভগীৰথে কৰাৰ দৰে গৌতমেও গংগাক আগবঢ়াই লৈ যাবলৈ ধৰিলে ।

তেতিয়া গংগাৰ পানী মৃত গৰুটোৰ ওপৰে-দিও প্ৰবাহিত হ'ল আৰু সেই গৰুটো তৎক্ষণাৎ পুনৰ্জীৱিত হৈ মুহূৰ্তৰ ভিতৰতে আকাশলৈ অদৃশ্য হৈ গ'ল ।

পাছ মুহূৰ্ততে নিজ ৰূপ ধৰি আকাশৰ পৰা নামি আহি গণেশে গংগাক ক'লে, আই মোক ক্ষমা কৰা! তুমি যদি-অলপ দক্ষিণ দিশলৈ যোৱাঁ, তেতিয়া তোমাৰ নাম হ'ব গোদাৱৰী আৰু তুমি সকলোৰে প্ৰণম্য হৈ থাকিবা ।" এই বুলি কৈ গণেশে গংগাক প্ৰণাম কৰি আকৌ অদৃশ্য হ'ল ।

গংগাই গোদাৱৰী নাম লৈ দক্ষিণদিশলৈ প্ৰবাহিত হৈ লগতে অসংখ্য শাখা নদীৰো সৃষ্টি কৰি দক্ষিণাঞ্চলক শস্যশ্যামলা কৰি তুলিলে। কেৱল মানুহৰ ওচৰতে নহয়, দেৱতাসকলৰ ওচৰতো গোদাৱৰীৰ পানী পবিত্ৰ হ'ল আৰু এক গোদাৱৰী সপ্ত গোদাৱৰীলৈ ৰূপান্তৰিত হৈ সমুদ্ৰতে লীন হ'ল । গংগাৰ মেঘবৰণৰ চুলি পশ্চিমাঞ্চললৈ বিয়পি পৰাত আৰু বিষ্ণুৰে সেই বিশাল চুলিটাৰি ফণিউৱাত তাত সেই নদীৰ নাম হ'ল কৃষ্ণা । অগস্ত্যমুনিৰ সৈতে গংগা অৰণ্যাঞ্চলত প্ৰবাহিত হোৱাত তাত গংগাৰ নাম হ'ল কাবেৰী ।

চতুৰ্দিশৰপৰা মহৰ্ষি গৌতমৰ জয়ধ্বনি উঠি থাকিল । কিন্তু তথাপি গৌতমৰ মনত শান্তি নাছিল । কিয়নো, অহল্যা তেতিয়া লৈকো শিল হৈ আছিল । যদিও অত্ৰি মহামুনি ত্ৰিমূৰ্তিৰ অংশৰ ফলত এটি পুত্ৰৰ জনক হ'ব পাৰিছিল । ঠিক তেতিয়াই তালৈ গণেশ আহিল । গণেশে মহৰ্ষি গৌতমক ক'লে "হে গৌতম, অহল্যাৰ কাৰণে শোক নকৰিবা । বিষ্ণু যেতিয়া ৰামৰ অৱতাৰৰূপে আৱিৰ্ভূত হ'ব, তেতিয়া তোমাৰ পত্নী অহল্যাই মানৱীৰূপ ঘূৰাই পাব । গোদাৱৰীৰ অৱতৰণৰ বাবে তুমি অশেষ শ্ৰম কৰিলা, সেই কথা জগতে সদায় সুঁৱৰিব, আৰু গোদাৱৰীৰ নামৰ সৈতে তোমাৰ নামো উচ্চৰিত হ'ব ।"

গণেশৰ কথাত গৌতম আনন্দিত হ'ল আৰু ক'লে "হে বিঘ্নেশ্বৰ, এই সকলো ঘটনাৰ গুৰিতে তুমি । গোদাৱৰীৰ সৃষ্টি তথা অৱতৰণৰ মূলত তোমাৰ অশেষ অৱদানৰ কথাও চিৰযুগমীয়া হৈ ৰ'ব ।"

ৰামপুৰৰ সমন্ধ

বৰা বজাৰত ৰঙ্গনাথৰ কাপোৰৰ দোকান আছিল । এদিন সন্ধিয়া যেতিয়া তেওঁ দোকান বন্ধ কৰি ঘৰলৈ আহিছিল তেতিয়া তেওঁৰ পত্নী সৰলাই হাঁহি মাৰি সন্মুখত উপস্থিত হ'ল। চাৰিদিন আগতে সৰলা ককায়েকৰ পুতেকৰ জন্মদিন উপলক্ষে মাকৰ ঘৰলৈ গৈছিল । আজি দুপৰীয়া উভতি আহিছে ।

খোৱ-বোৱা হোৱাৰ পিছত সৰলাই ৰঙ্গনাথৰ আগতে কলে, "ককাইদেৱে আমাৰ পুত্ৰৰ কাৰণে এক ভাল সম্বন্ধ বিচাৰি পাইছে। মানুহ ঘৰ খুব ধনী । পিছে ছোৱালীৰ ৰংটোহে ক'লা । ক'লী হলনো কি হ'ল । তাইৰ ৰঙৰ সৈতে, তাইৰ সৌন্দৰ্য্যৰ সৈতে আমাৰ কিনো কথা আছে !"

"তাৰমানে তুমি কব বিচাৰিছা যি ক'লা হয়, তেওঁ সুন্দৰ নহয় ?" ৰঙ্গনাথে কলে । সৰলাই হাঁহিমাৰি কিবা এটা কব বিচাৰিছিল, এনেতে ৰঙ্গনাথে পুনৰ কলে, "যোৱাকালি ৰামপুৰৰ পৰা ৰাজেশ্বৰ নামৰ এজন ব্যক্তি আহিছিল । তেওঁৰ ছোৱালীজনীক কাৰোবাৰ বিয়াত আমাৰ পুত্ৰই দেখিছিল, দেখি তাৰ ছোৱালীজনী পছন্দ হৈছে । ৰাজেশ্বৰে কৈছে যে আমি যদি গৈ তেওঁৰ ছোৱালীজনী এবাৰ চাই আহো তেতিয়া কথাটো ভাল হয় ।"

সৰলাই গিৰিয়েকৰ ফালে একেথৰে চাই থাকিল । তেওঁৰ পুত্ৰই চহৰত ভাল চাকৰি কৰে । ছোৱালী যদি আগতেই পচন্দ কৰি থৈ দিয়ে কোন মাক দেউতাকে ছোৱালীৰ লগত যৌতুক দিব ? সৰলাই মনতে ভাবিলে।

"আপুনি অকলেই গৈ ছোৱালী চাই আহক । তেওঁ যদি কমেও এক লাক্ষ টকা

নিৰ্মলা জয়চৱাল

দিবলৈ সাজু থাকে তেতিয়াহে মই ছোৱালী চাই আহিম । ” সৰলাই খোৱা বাচনবোৰ গোটাই থৈ কলে ।

চাৰিদিন পিচত ৰঙ্গনাথ ৰামপুৰলৈ ছোৱালী চাবলৈ গ'ল । ছোৱালীজনী খুব ধুনীয়া। কথা-বতৰাতো খুব নম্ৰ । ছোৱালীৰ মাক পিতাকো খুব ভাল । কিন্তু তেওঁৰ পিতাকৰ যৌতুক দিব পৰা আৰ্থিক অৱস্থা নাই । তথাপি ৰঙ্গনাথে ছোৱালীৰ পিতাকক স্পষ্টভাবে কলে, “আমাক কমেও একলাখ টকা লাগিব ।” তাৰ পাছত তেওঁ ঘৰলৈ উলতিল ।

গৈ থাকোতে এন্ধাৰ নামি আহিল আৰু জোৰেৰে বৰষুণো পৰিবলৈ ধৰিলে । ৰঙ্গনাথে ইতিমধ্যে নিজ গাঁৱৰ সীমা পাইছিল গৈ । তেওঁ বাটৰ কাষতে এটা পুৰণি ধৰণৰ খাপৰিৰ ঘৰ দেখিবলৈ পালে । বৰষুণ নকমে মানে সেই ঘৰটোতে আশ্ৰয় লম বুলি ভাবি ৰঙ্গনাথে দুৱাৰতে খটখটাই দিলে । দুৱাৰখন লাহে লাহে খোলা গ'ল ।

তেওঁ দেখিবলৈ পালে এটা ক্ষীণ-মিন বুঢ়া মানুহে হাতত এটা চাকি লৈ দুৱাৰ মুখত থিয় হৈ আছে । তেওঁৰ দীঘল পকা দাড়ি আছে ।

“অনুমান হৈছে বৰষুণ আৰু নেৰিব । যি দেখিছো বৰষুণ বাঢ়িহে গৈছে । আজি ৰাতিটো আপোনাৰ ইয়াতে আশ্ৰম লব পাৰোনে ?” ৰঙ্গনাথে বুঢ়া মানুহজনক সুধিলে ।

ইয়াত আশ্ৰয় লোৱাত মোৰ কোনো আপত্তি নাই । পিছে খোৱা-লোৱাৰহে ব্যৱস্থা কৰিব নোৱাৰিম । এই ঘৰত কোনো তিৰোতা মানুহ নাই,” ৰঙ্গনাথক ভিতৰলৈ মাতি লৈ গৈ বুঢ়াই কলে ।





মাজৰ কোঠাটোত দুখন বিচনা পৰা আছিল । বুঢ়াই তেওঁক তাতে বহিবলৈ দি কলে, "মোৰ নাম ভূষণ । আপোনাৰ নাম ? কিবা কামত এই গাঁৱলৈ আহিছিল নেকি ?"

ৰঙ্গনাথে বিচনাত বাগৰি লৈ কলে, "মোৰ ঘৰ সীতাপুৰত । ৰামপুৰৰ পৰা নাই আহি আছো । দেখাত আপোনাক খুব বিজ্ঞলোক যেন লাগিছে । সেয়েহে আপোনাৰ ওচৰত কোনো কথা নুলুকাও ।" তাৰ পাছত তেওঁ গোটেই ঘটনাৰ কথা কলে।

"আপুনি কৈছে আপোনাৰ লৰাৰ ছোৱালীজনী খুব ভাল লাগিছে ।" ভূষণে বিচনাত বাগৰ মাৰি কথাখিনি কলে ।

"তাতনো কি হ'ল ? ছোৱালীৰ বাপেকৰ যেতিয়া যৌতুক দিব পৰা অৱস্থা নাই আমিনো কি কৰিব পাৰো ।" এইবুলি কৈ ৰঙ্গনাথে জোৰেৰে হাঁহি মাৰিলে ।

ভূষণে কিছু সময় মনে মনে থাকি তাৰ পাছত কলে, "আপুনি বাৰু জানেনে এই বয়সতো মই এজন অনাথৰ দৰে অকলে কিয় জীয়াই থাকিব লগা হৈছে ?"

ৰঙ্গনাথে 'নাজানো' বুলি মূৰটো লৰাই কলে ।

"তেতিয়াহলে শুনক । মই মোৰ পুত্ৰৰ বিয়াত জোৰ কৰি যৌতুক লৈছিলো । যৌতুক দিয়াৰ কাৰণে বোৱাৰীৰ দেউতাকে পৈত্ৰিক ভেটিটো বেচিব লগা হৈছিল । এই কথা লৈ মোৰ বোৱাৰী মোৰ ওপৰত অসন্তুষ্ট হৈ উঠে। মোৰ প্ৰতি তেওঁৰ ব্যৱহাৰ বৰ কঠোৰ হয় । মোৰ পত্নীৰ মৃতুৰ পিছত মোৰ অৱস্থা আৰু বেয়া হয় । পুত্ৰ বোৱাৰীৰ কঠোৰ ব্যৱহাৰ সহ্য কৰিব নোৱাৰি মোৰ আত্মীয় এজনৰে এই পুৰণি ঘৰটোত আহি থাকিবলৈ লও । ৰান্ধি বাঢ়ি খুৱাবলৈকো কোনো নাই । একেবাৰে

অকলশৰীয়া হলো । অকলেই আঙুলি মূৰত দিন গণি সময় কটাইছো ।” কথাখিনি কৈ উঠি ভূষণে চাদৰখনেৰে মুখখন ঢাকি ললে ।

এই কথা শুনি ৰঙ্গনাথ হতভম্ব হৈ গ'ল । মুখেৰে তেওঁৰ এটাও কথা নোলাল । শেষ ৰাতিহে তেওঁৰ অলপ টোপনি আহিল । ৰাতিপুৱা উঠি দেখে যে ভূষণ তাত নাই ।

ৰঙ্গনাথ ঘৰৰ পৰা ওলাই বাটলৈ আহিল। সন্মুখতে এজনী বুঢ়ীয়ে ছাগলিক কঠালৰ পাত খুৱাই আছিল । তেওঁ ৰঙ্গনাথক দেখি সুধিলে, “আপুনি কোন ? যোৱা ৰাতিটো এই ঘৰটোতে কটালে ? ইমান সাহস ?”

ৰঙ্গনাথে বুঢ়ীৰ কথাৰ একো অৰ্থ বুজিব নোৱাৰিলে । তেওঁ বুঢ়ীক কলে, “কি কৰিম। যোৱা ৰাতি এইফালে গৈ থাকোতে ডাঙৰ বৰষুণ আহিল । কোনো উপাই নাপায় এই ঘৰটোতে আশ্ৰয় লব লগা হ'ল । পিছে আপুনি জানেনে ইয়াতে থকা সেই বুঢ়াটো কলৈ গ'ল ?”

ৰঙ্গনাথৰ কথা শুনি বুঢ়ীৰ চুলিৰ আগে জীউ গ'ল । বুঢ়ীয়ে আচৰিত হৈ কলে, “অ তেনেহলে গাঁৱৰ মানুহে কোৱা কথাবোৰ সঁচা। তেওঁলোকে কয় যে যৌতুকৰ কাৰণে পাগল ভূষণ বুঢ়াৰ ভূত ইয়াতে ঘূৰা ফুৰা কৰি আছে । এবছৰ আগতে এই ঘৰটোতে বুঢ়াৰ মৃত্যু হৈছিল ।

ৰঙ্গনাথে নিজৰ কাণকে বিশ্বাস কৰিব পৰা নাছিল । গোটেই ৰাতি তেওঁ এজন ভূতৰ লগত কটালে, এই কথা মনলৈ অহাত তেওঁৰ কঁপণি উঠিল । লগে লগে তেওঁ এটা সিদ্ধান্ত ললে । ভাড়াৰ গাড়ী এখন সেইফালেৰে যোৱা দেখি সেইখনতে উঠি ৰামপুৰলৈ গ'ল ।

অলপ পিছতে ভূষণে গছৰ আঁৰৰ পৰা ওলাই আহি বুঢ়ীক কলে, “বাই, মই যেনেদৰে কৈছিলো তুমিও ঠিক তাকেই কৰিছা । মই কোৱা কথাখিনি তুমি ভালদৰে কব পাৰিছা । যৌতুকৰ কাৰণে পাগল হৈ মোৰ দৰে তাৰো দুৰৱস্থা হোৱাতো নিবিচাৰো। তুমি পুণ্য কাম কৰিলা ।”

“মই পুণ্য কাম কৰিলো ? কেনেকৈ ? তাৰ যৌতুকৰ পাগলামী গ'ল নে নাই তুমি কেনেকৈ জানিলা ?” বুঢ়ীয়ে সুধিলে ।

“তুমি দেখা নাপালানে ! কেনেকৈ ভাড়াৰ গাড়ী লৈ ৰামপুৰলৈ তেওঁ তৰনাৰা চিঙি গ'ল।” ভূষণে অতি উৎসাহেৰে কথাখিনি কলে ।



জ্ঞানী, অজ্ঞানী, মূৰ্খ

পণ্ডিত শিৱানন্দই নিজৰ পাঠশালাত শিষ্যসকলক কেৱল শাস্ত্র বিদ্যাই নিশিকাই, ইয়াৰ লগে লগে লৌকিক জ্ঞানৰো শিক্ষা দিয়ে । তেওঁৰ দৃঢ় বিশ্বাস আছিল আমি যিমানেই শাস্ত্ৰৰ গভীৰ অধ্যয়ন নকৰো কিয়, কিন্তু জীৱনত সন্মুখীন হ'ব লগা সমস্যাবোৰ সমাধান কৰিবলৈকে লৌকিক জ্ঞানৰ অতি আৱশ্যক । তেতিয়াহে জীৱনত শান্তি লাভ কৰিব পাৰি ।

এদিন সূৰ্য্যোদয়ৰ সময়ত ঔষধ তৈয়াৰ কৰিবলৈকে বুলি বনৌষধি আনিবলৈ তিনিজন শিষ্য লগত লৈ পণ্ডিত শিৱানন্দ হাবিলৈ গ'ল । এই তিনিজনৰ ভিতৰত দুজনে পাঠশালাত শিক্ষা লবলৈ অলপতে ভৰ্ত্তি হৈছে ।

শিৱানন্দ স্বামীৰ পিছে পিছে আহি থকা এজন নতুন শিষ্যই তেওঁক সুধিলে, "স্বামীজী, এসপ্তাহ আগতে মই আপোনাক সুধিছিলো যে জ্ঞানী, অজ্ঞানী আৰু মূৰ্খৰ মাজত পাৰ্থক্য কি ? তেতিয়া আপুনি উচিত সময়ত ইয়াৰ উত্তৰ দিম বুলি কৈছিল ।"

শিৱানন্দ স্বামী মনে মনে থাকিল । ইয়াৰ কোনো উত্তৰ নিদিলে । শিষ্য তিনিজনৰ ভিতৰত যিজন পুৰণি শিষ্য আছিল তেওঁ নতুন শিষ্য দুজনৰ ওপৰত অসন্তুষ্ট হৈ কলে, "উত্তৰ কেতিয়া আৰু কোন সময়ত দিব লাগিব সেইটো গুৰুদেৱে নাজানে নেকি ?"

নতুন দুজনৰ দ্বিতীয় শিষ্যজনে ইয়াৰ বিৰোধিতা কৰি কলে, "গুৰুদেৱেতো বহুতো বিষয়ৰ ওপৰতে শিক্ষা দিয়ে । হয়তো তেখেতে আমাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ পাহৰিয়ে গৈছে । নিজৰ মনৰ সংশয় দূৰ কৰিবলৈ গুৰুদেৱক সোঁৱৰাই দিয়াতো একো অপৰাধ হব নোৱাৰে ।"

শিৱানন্দ স্বামীয়ে জীৱনৰ মুখ্য সমস্যা-বোৰৰ বিষয়ে যথাসাধ্য প্ৰত্যক্ষ উদাহৰণেৰে সৈতে বুজাই কৈছিল ।

গুৰু শিষ্য লগলাগি আৱশ্যকীয় বনৌষধি গোটালে । দুপৰীয়া হোৱাত তেওঁলোকে এডাল গছৰ ছাঁত গৈ বিশ্ৰাম ললে ।

ঠিক সেই সময়তে ওচৰৰে এডাল গছৰ ছাঁত বিশ্ৰাম লবলৈ তিনিজন পথিক আহিল । তেওঁলোকৰ কান্ধত গধুৰ মোনা আছিল। তিনিওজনে আধা বয়সীয়া আছিল। তেওঁ-লোকে মোনাবোৰ কান্ধৰ পৰা মাটিত নমাই থৈ চাৰিওফালে এবাৰ চালে । তেওঁলোকৰ এজনে ওচৰৰে গছ এডালৰ তলত এটা গাঁত দেখি ভয়তে কলে, "চোৱা, সেইটো গাঁত । আমি ভাগৰুৱা হৈ আছো । পৰিলেই আমাৰ গভীৰ টোপনি আহিব । কোনো সাপ আহি আমাক দংশন কৰিব পাৰে। সাৰে থকাতোও আমাৰ কাৰণে সম্ভৱ নহয়।"

আমি তিনিওজনে ইয়াতেই বিশ্ৰাম লম । কোনো সাপ আহিলে তিনিওজনে ধৰি মাৰি পেলাম । মোনাৰ পৰা বিচনা চাদৰ উলিয়াই লৈ দ্বিতীয় পথিকজনে কলে ।

তেতিয়া প্ৰথম পথিকজনে কলে, "তুমি যিয়েই নোকোৱা কিয় মই হলে ইয়াত নোশো। কোনো অন্য ঠাইত গৈ বিশ্ৰাম লম। বলা যাওঁ ।" এইবুলি কৈ তেওঁ যাবলৈ ওলাল।

তেতিয়ালৈকে মনে মনে থকা তৃতীয় পথিকজনে কলে, ইমান ভাবিব লগ কি আছে? হাবিৰ মাজত এনে কোনো ঠাই আছেনে, য'ত কোনো বিপদ নাই ? য'ত বিপদ কম আছে তেনে ঠাইতহে আমি বিশ্ৰাম লম । মোৰ অনুমান হয় সেইটো সাপৰ গাঁত নহয় ।" তৃতীয় পথিকজনে নিজৰ মত প্ৰকাশ কৰি কলে ।

"তুমিওনো কি কোৱাহে ? সম্মুখত সেইটো সাপৰ গাঁত আৰু তুমি কৈছা সেইটো সাপৰ গাঁত নহয় । এনে কথা কবলৈ তুমি কেতিয়াৰ পৰা শিকিলা ?" তেওঁ অলপ খংভাবে কলে ।

তেওঁৰ কথা শুনি তৃতীয় পথিকজনে হাঁহি মাৰি কলে, "খং নকৰিবা । শান্ত হোৱা । মই কি কৈছো শুনাছোন । সকলো গাঁততে সাপ নাথাকে, এইটো অনুভৱ কৰি পোৱা জ্ঞান । সেইটো নিশ্চয় অইন কিবাৰ গাঁত হব ।"

তেতিয়া দ্বিতীয় পথিকজনে আশ্চৰ্য প্ৰকাশ কৰি কলে, "তুমি কোৱা হে ! তুমি কেনেকৈ জানিলা , এইটো সাপৰ গাঁত নহয়!"

"তেনেহলে শুনা । য'ত এই গাঁতটো

আছে তাৰ ওপৰতে এডাল গছো আছে। সেই গছডালত কিমান চৰাইৰ বাহ আছে চোৱাচোন। আমাৰ নিচিনা সিহঁতেওঁ নিজৰ সুৰক্ষা আৰু পোৱালীৰ সুৰক্ষাৰ ওপৰত নজৰ দিয়ে। সাধাৰণতে প্ৰকৃতিৰ সকলো প্ৰাণীৰ মাজতে ভয় থাকে। এই গাঁতটোত যদি সঁচাকৈয়ে সাপ থাকিলহেতেন তেনেহলে চৰাইবোৰে তাত নিজৰ বাহ নাবান্ধিলে হেতেন আৰু পোৱালীও নিদিলেহেতেন।" এইবুলি কৈ তৃতীয় পথিকজনে মোনাৰ পৰা চাদৰ উলিয়াই শুই পৰিল।

পথিক তিনিজনৰ কথা-বতৰা শিৱানন্দ স্বামীৰ লগতে তেওঁৰ শিষ্যসকলেও শুনিছিল। গুৰুৱে নতুন শিষ্য এজনক সুধিলে, "তুমি বাৰু কব পাৰিবানে সেই তিনিজনৰ ভিতৰত তোমাক কাক জ্ঞানী, অজ্ঞানী, আৰু মূৰ্খ যেন লাগিছে?"

শিষ্যজনে অতি বিনয়েৰে কলে, "মই বুজিব পৰা নাই গুৰুদেৱ।" ইয়াৰ পিছত শিৱানন্দ স্বামীয়ে বাকী দুজন শিষ্যকো সেই একে প্ৰশ্নই সুধিলে। তেওঁলোকেও নাজানো বুলি কলে।

তেতিয়া শিৱানন্দ স্বামীয়ে সেই বিষয়ৰ ওপৰত সবিস্তাৰে বুজাই কলে, "সাপ আহিলে আমি লগলাগি মাৰি পেলাম। এই কথাটো যিজনে কৈছিল তেওঁ আছিল মূৰ্খ। আমি শুই থকাৰ সময়ত কোনো সাপ আহি দংশন কৰিব পাৰে। অন্য কোনো ঠাইত গৈ বিশ্ৰাম লোৱাই ভাল হব, এই কথা যিজনে কৈছিল তেওঁ হ'ল অজ্ঞানী।

আচলতে তাত কোনো বিপদ আছে নে নাই সেই কথা ঠিকমতে ভাবিবলৈও তেওঁ সাজু নহয়। আকৌ যদি বিপদ আছেও কিমাননো ডাঙৰ বিপদ হব পাৰে। এতিয়ামানে তোমালোকে অনুমান কৰিব পাৰিছা কিজানি সেই তিনিজনৰ ভিতৰত কোনজন জ্ঞানী। পৰিস্থিতিৰ সমীক্ষা কৰি বিপদ আৰু প্ৰভাৱ সম্পৰ্কে যুক্তি সহকাৰে বুজাই দিয়াজনেই হ'ল জ্ঞানী। তেওঁ বিপদৰ বিষয়ে অনুমান কৰি লবলৈ সমৰ্থ। তোমালোকেও যদি সেই জ্ঞানীজনৰ দৰে শাস্ত্ৰ জ্ঞানৰ লগতে ব্যৱহাৰিক জ্ঞানকো লগলগাই নিজৰ জীৱনত প্ৰয়োগ কৰা তেনেহলে সুখময় জীৱন কটাব পাৰিবা।" ইয়াকে কৈ গুৰু শিষ্য আটায়ে তাৰ পৰা যাবলৈ সাজু হ'ল।

LET'S CELEBRATE NOVEMBER
OUR SPECIAL MONTH
WATCH OUT FOR THE
CHILDREN'S SPECIAL ISSUE
OF CHANDAMAMA IN NOVEMBER 2002
Exciting stories from child-writers!
Illustrations from child-artists!
An issue full of activities to keep you busy for several days together!
A sparkler to light up your Diwali!
From kids, for kids
Don't miss Chandamama's Children's Special Issue!
If you are not a subscriber, it's time you took out a subscription NOW.

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া - ১৩

ইয়াতে কেইজনমান আমাৰ পৌৰাণিক উপাখ্যানৰ ডেকা হিৰোৰ কথা উল্লেখ কৰা হ'ল । তুমি তেওঁলোকক চিনি পোৱানে ?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব । *

এখন যুদ্ধত চক্ৰবেহুৰ ভিতৰত সৈন্য পৰিচালনা কৰি মই জেঠা আৰু খুৰাহঁতক সহায় কৰিছিল । কিন্তু তাৰপৰা কেনেকৈ ওলাই আহিব লাগে সেইটো নাজানিছিলো । তুমি মোৰ নাম জানানে ?

ভগবান বিষ্ণুৰ এটা বৰে আকাশত মোক এক উজ্জ্বল তৰা কৰি ৰাখিছিল । মোৰ নাম কি ?

যেতিয়া মোৰ পিতৃয়ে মোক যমক দিম বুলি কৈছিল, সেই সময়ত মই যমৰ পৰা জন্ম মৃত্যুৰ গোপন ৰহস্যৰ কথা জানিব পাৰিছিলো। মই কোন বাৰু ?

মই মোৰ অন্ধ পিতা-মাতাক কান্ধত লৈ ফুৰিছিলো আৰু এজন ৰজাৰ শৰৰ আঘাতত মোৰ মৃত্যু নোহোৱালৈকে মই তেওঁলোকৰ আদৰ যত্ন লৈছিলো । তুমি মোৰ নাম জানানে ?

মোৰ পিতাদেৱে মোক বধ কৰিবলৈ বহুবাৰ চেষ্টা কৰিছিল । কিন্তু মোৰ আৰাধ্য দেৱতাজনে প্ৰতিবাৰেই মোক ৰক্ষা কৰিছিল । মোৰ নাম কি ?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা । এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা হিৰো কোনজন আৰু কিয় ভাল লাগে? মোৰ ভাল লগা জাতীয় হিৰো হ'ল ... এই বিষয়ে ১০টা শব্দ লিখা ।

....

....

প্ৰতিযোগীৰ নাম..

বয়স........................শ্ৰেণী..

ঠিকনা...

পিন........................ফোন.......................................

প্ৰতিযোগীৰ চহী..

দেউতাক/মাকৰ চহী...

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz - 13
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০২ চনৰ ৫ নবেম্বৰৰ আগতে পোৱাকৈ উত্তৰ পঠাবা

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে ।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব । বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব । যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব ।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত ।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব ।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব ।

ৰান্ধনিৰ সংস্কাৰ

বিনয় ৰামপুৰৰ জমিদাৰ দীননাথৰ একমাত্ৰ পুত্ৰ । তেওঁ সদায় বন্ধু-বান্ধৱৰ লগত হাঁহি-ধেমালি কৰি সময় কটায় আৰু ৰাতিও পলমকৈ ঘৰলৈ যায় । বিনয় নোযোৱালৈকে মাক প্ৰভাৱতীয়ে শুবলৈ নাযায় আৰু তেওঁ ঘৰত উপস্থিত হোৱাৰ লগে লগে মাকে ৰান্ধনি বদনক আহাৰ পৰিবেশন কৰিবলৈ কয় আৰু বিনয়ে খাই উঠাৰ পিছতহে মাক শুবলৈ যায় । বদনেও তেতিয়ালৈকে কিবা নহয় কিবা পেঢ়ি থাকে ।

এদিন বিনয়ে ৰাতি বাৰ বজাত ঘৰলৈ উলতিছে । সেই সময়তো বদনে পঢ়ি থকা দেখি তেওঁ ব্যঙ্গ সুৰে কলে, "পঢ়, পঢ়ি থাক । পঢ়ি পঢ়ি ভাল সংস্কাৰকামী হবি গৈ ।"

বদনে কলে, "পঢ়িলেই সংস্কাৰী হয় বুলি মই নাযানো । মাৰ ফালে চোৱা । সদায় ৰাতি আপোনলৈ অপেক্ষা কৰি থাকে । আপুনি আহি নোপোৱালৈকে শুবলৈ নাযায় । এয়াইতো মাতৃপ্ৰেম । তাৰপাছত প্ৰাতঃকালতে উঠি আপোনাৰ দেউতাকৰ আলপৈচান ধৰে । শিক্ষিত নোহোৱা স্বত্বেও তেওঁ এই সংস্কাৰী গুণ কৰপৰা পালে !"

এই কথা শুনি বিনয়ৰ এনে লাগিল যেন কোনোবাই তেওঁক চাবুকেৰেহে কোবাইছে । এতিয়াহে তেওঁ বুজিব পাৰিলে তেওঁৰ কাৰণে মাকৰ আৰু ৰান্ধনি বদনৰ কিমান কষ্ট হয় । বদনৰ কথাখনি তেওঁৰ মনত সঁচা বুলি বিবেচিত হ'ল ।

পিছদিনাৰ পৰা বিনয়ে আৰু আগৰ ভুল নকৰা হ'ল । এতিয়া তেওঁ সোনকালে ঘৰলৈ আহে । বদনেও বেচি সময় পঢ়িবলৈ পায় । একপ্ৰকাৰ ইয়াৰ দ্বাৰা তেওঁৰ ভালহে হ'ল ।

- প্ৰফুল্ল লতা

চান্দমামাৰ নিবেদন
অজেয় গৰুড়
18
চিত্ৰ:পাণি
গুহাৰ মন্দিৰত তান্ত্ৰিক নাগবন্ধুৰ সকলোবোৰ ওলট-পালট হৈ যোৱা কাৰণে তেওঁ বুজিব পাৰিলে কোনো মহান শক্তিয়ে তেওঁৰ পৰিকল্পনা বিফল কৰি দিছে। তান্ত্ৰিকে যেতিয়া 'গৰুড়'ৰ নাম লয়, নৰেন্দ্ৰদেৱ তেতিয়া স্তম্ভিত হৈ যায়। তেওঁক পৰামৰ্শ দিয়া হৈছে যে তেওঁ যেন মন্দিৰৰ চৌহদতে থাকে আৰু ৰবীন্দ্ৰদেৱকো ইয়াতে মাতি আনে। তান্ত্ৰিকে বিচাৰিছে তেওঁ যেন নিজৰ সুৰক্ষাৰ কাৰণে ৰাজ্যৰ বাহিৰত থাকে। আপ্ত পুৰুষে ৰবীন্দ্ৰদেৱক লৈ আহিবৰ কাৰণে সাজু হ'ল।
আপ্ত পুৰুষে চান্দনী নদীৰ পাৰৰ শিবিৰত ৰবীন্দ্ৰদেৱক লগ ধৰিলে। তেওঁ আদিত্যক বিচাৰি আছে।
কেনেকৈ পাহৰো ? মই চন্দ্ৰপুৰীৰ ৰজা হোৱাতো আদিত্য সকলোতকৈ ডাঙৰ প্ৰতিবন্ধক। ঠিক আছে.....
এতিয়া আদিত্যৰ কথা পাহৰি যোৱা। তুমি অতিশীঘ্ৰে পৰ্বতীয়া গুহাত থকা তোমাৰ পিতাৰাৰ ওচৰলৈ যাব লাগে। তান্ত্ৰিকে তোমাৰ বিপদ অহা দেখিছে।
পৰ্বতীয়া গুহালৈ মই যোৱাৰ ব্যৱস্থা কৰা!
তোমালোকৰ কেইজনমান দুৰ্গলৈ উভতি যোৱা আৰু যদি আদিত্য ৰাজধানীলৈ উভতি আহিছে তেওঁক প্ৰাসাদলৈ যোৱাত বাধা দিবা।


আদিত্যই নতুন উপনিবেশ গৈ পোৱাত তেওঁক ধুমধামকৈ অভিনন্দন জনোৱা হ'ল।
আপোনালোকৰ কাৰণে শুভ খবৰ লৈ আহিছো!
মন্ত্ৰী মহোদয়ক পুনঃ স্বাগতম!
আমি আপোনাৰ অভাৱ অনুভৱ কৰি আছিলো।
আমাৰ ৰজাই ৰাজধানীত উপস্থিত হৈছে। ৰামসিংহ তেখেতৰ লগত আছে। নৰেন্দ্ৰদেৱ আৰু তেওঁৰ পুত্ৰই ৰজাৰ বিৰুদ্ধে কুচক্ৰান্ত ৰচনা কৰিছে। আমি এই বিদ্ৰোহীহঁতৰ পৰা ৰজাক ৰক্ষা কৰা উচিত।
আদিত্যই উপনিবেশৰ যুৱকসকলক এটা ভাল পৰামৰ্শ দিছে।
আপোনা লোকে অত্যাচাৰী আৰু প্ৰাসাদৰ বিদ্ৰোহী সকলৰ বিৰুদ্ধে অৱশ্যে থিয় দিব লাগে। আৰু ৰজাৰ কাৰণে নিৰাপদ পথ সুনিশ্চিত কৰিব লাগে।
আমি ৰজা আৰু ৰাজ্যৰ কাৰণে নিজৰ জীৱন আহুতি দিবলৈ সাজু আছো।
তেওঁলোকৰ ভিতৰত কিছুমানে আদিত্যৰ সৈতে যাবলৈ নিজৰ ইচ্ছা প্ৰকাশ কৰিলে ...
আৰু কিছুমানে ৰজাৰ যাত্ৰা পথত নিজৰ নিজৰ ঠাইত সাজু হৈ ৰ'ল।

যেতিয়ালৈকে আদিত্য দুৰ্গত গৈ উপস্থিত হোৱা নাই, তেওঁৰ পিছে পিছে স্বয়ংসেৱকৰ এটা দীঘল শাৰী দেখা গ'ল ।
ৰবা! আৰু শুনা!
আমি দুৰ্গৰ সকলোবোৰ বহিৰ্দ্বাৰ অৱৰুদ্ধ কৰিব লাগিব, য'ৰ পৰা প্ৰাসাদৰ ৰাজভক্ত ৰক্ষক সকলক খেদি পঠোৱাহৈছে ।
আদিত্যই যুৱকসকলক লগত লৈ প্ৰাসাদলৈ গ'ল আৰু ৰবীন্দ্ৰদেৱলৈ বাতৰি পঠালে ।
আমি বাধাৰ সন্মুখীন হবলৈ প্ৰস্তুত আছো ।
আমি যিকোনো প্ৰকাৰে প্ৰাসাদত প্ৰৱেশ কৰিম ।
সকলোৰে নেতাজন মুখ্য ৰক্ষকৰে সৈতে উভতি আহিল ।
মহাশয়, ৰাজকুমাৰ আৰু সেনাপতি দুয়োজনে ৰাজধানীত নাই ।
যদি এই কথা সত্য তেনেহলে ...
...তেনেহলে আত্মসমৰ্পণ কৰা আৰু দুৰ্গ এৰি দিয়া ।
প্ৰাসাদৰ ৰক্ষকসক-লৰ কেপ্তেন উভতি আহিছে ।
আমাৰ অধিকাংশ মানুহেই অস্ত্ৰ সম্বৰণ কৰিবলৈ সহমত হৈছে ।
যিসকলে বিৰোধ কৰিলে তেওঁলোকক বশ কৰা হ'ল ।
ক্ৰমশঃ

ৰঙৰ মজা!

ওচৰতে এটা ধুনীয়া দৃশ্য অঁকা আছে। সেই দৃশ্যটো আৰু বেছি জীৱন্ত কৰিবলৈ তাত ৰং নিদিয়া কিয়? তোমাৰ সহায়ৰ কাৰণে আমি এক ৰঙৰ আঁচনি দিছো। খুব মজা লাগিব!





একেটা পাকতে

এইটো এটা আচৰিত ধৰণৰ মৌমাখি নহয়নে? কিন্তু এইটো অনন্য। এইটো একেটা পাকতে অঁকা হৈছে। তুমিও চেষ্টা নকৰা কিয়?

অমিলবোৰ চিনাক্ত কৰা !

এই চিত্ৰ দুখন দেখাত একে হব পাৰে, কিন্তু চিত্ৰ দুখনৰ মাজত আঠটা অমিল আছে। সেইবোৰ চিনাক্ত কৰা !



নেদেখা বিপদ

মনিশ মাঙ্কিয়ে গছডালৰ তলত আৰামেৰে জিৰণি লৈ আছে। কিন্তু তাৰ চাৰিওফালে বিভিন্ন জন্তুৰ ৰূপত বিপদ লুকাই আছে। তুমি সিহঁতক চিনাক্ত কৰিব পাৰিবানে?

(উত্তৰ ৬৬ পৃষ্ঠাত)

বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওঁতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

বিজয়ী বাক্য

অদৃশ্যভাবে কৰে নিয়ন্ত্ৰণ ।
সম্মুখত আছে দেখোতাজন ।

অভিনন্দন

আগষ্ট সংখ্যাৰ পুৰস্কাৰ বিজয়ী :
কৃষ্ণাদীপা অধিকাৰী
মাৰফৎ--ড.দেৱানন্দ অধিকাৰী
ৰৰপাৰা, বঙাইগাওঁ (অসম)

খেলিমেলি ধেমালিৰ উত্তৰ (৬৪ পৃষ্ঠা)

অমিলবোৰ চিনাক্ত কৰা !

১.ডাইনোৰ চকুৰ ভ্ৰূ
২.ডাইনোৰ দাগ
৩.ডাইনোৰ ভৰিৰ আঙুলি
৪.বুন্নিৰ দাঁত
৫.শিলবোৰ
৬.বান্দৰৰ নেজৰ দৈৰ্ঘ্য
৭.গছৰ ডাল
৮.গছৰ ডালত মেৰাই থোৱা বান্দৰৰ নেজ ।

নেদেখা বিপদ !

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

Chandamama CD-ROMs, are also available at all leading bookstores in India.



>DIRECT MAIL OFFER FOR CHANDAMAMA READERS<

To avail 20% discount on Chandamama CD-ROMs, please write to the Project Head Multimedia with your :

Name & Mailing address ....

Fun Workshop ☐ Copies

Early Reader Series
Jataka Tales Level 1 ☐ Copies
Total Copies : ☐ x 199

Please add delivery charges : By Regd. Post Rs. 41/- per CD and Rs.25/- for out-station cheques.

Enclose your order with a Cheque / DD, drawn in favour of Chandamama India Limited, payable at Chennai.

**** Offer available only for Indian residents.***

CHANDAMAMA'S

EARLY READER SERIES
Level-1

(FIRST 100 HOURS OF LANGUAGE LEARNING)



JATAKA TALES - Early Reader Series (Level 1) teaches children to instantly recognise 100 sight words in English. It promises clean fun, good learning and a superior pedagogical approach.

It is the first of a 3-series pack.

These CD-ROMs can also be used for any ESL (English as Second Language) course or Adult education programs that teach English.

Across media, a common tradition!

For trade and commercial enquiries contact.
Project Head, Multimedia
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097. India.
Ph : 91-44-2347384, 91-44-2347399
Visit us at http://www.chandamama.org

CHANDAMAMA (Assamese) OCTOBER 2002 Registered No. TN/CPMG-870/2002
Regd. with Registrar of Newspaper for India No. 30278/76 Licensed to post without prepayment. WPP No. 537/02